কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।

— সম্পাদক


গুৱাহাটী আৰু নগাঁৰৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ১৮ ছেপ্টেম্বৰ ২০২৬/৩১ ভাদ ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ২৩ ● Vol - 15, Issue - 23


# উপ-নিৰ্বাচনত বিজেপি জয়ী হ'লে '৩১ ৰ বিধানসভা নিৰ্বাচনত ১২৬ টা সমষ্টিয়ে দখল কৰিম ঃ মুখ্যমন্ত্ৰী ড° শৰ্মা

**গুৱাহাটী ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত শাসকীয় বিজেপি মিত্ৰজোঁটৰ বাবে হ'ব এক অগ্নিপৰীক্ষা। যদিহে এই উপ-নিৰ্বাচনত বিজেপি প্ৰাৰ্থীগৰাকী বিজয়ী হয়, তেন্তে অহা অসম বিধানসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ৰাজ্যৰ ১২৬ খন আসনেই দখল কৰিবলৈ সক্ষম হ'ব। এই মন্তব্য ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। যোৰহাটত আয়োজন কৰা এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই নগাঁও উপ-নিৰ্বাচন সন্দৰ্ভত সাংবাদিকে কৰা এক প্ৰশ্নত কয় যে নগাঁও লোকসভাত বৰ্তমানৰ যিটো সষ্টি তাত নগাঁও বিধানসভা সমষ্টিৰ লগতে মৰিগাঁও, জাগীৰোড আৰু ৰহা আছে। যোৱা বিধানসভা নিৰ্বাচনত আমি এই প্ৰতিটো সমষ্টিত প্ৰায় ৫০ হাজাৰ ভোটৰ ব্যৱধানত জিকিছিলো। কিন্তু লোকসভা সমষ্টিটোৰ অন্তৰ্গত চামগুৰি, ধিং, ৰূপহী আৰু লাহৰীঘাট বিধানসভা সমষ্টিৰ প্ৰতিটোতে আমি প্ৰায় ডেৰ লাখকৈ ভোটত হাৰিছো। কাৰণ এই সমষ্টিকেইটা বিজেপিৰ পৰম্পৰাগত সমষ্টি নহয়। কিন্তু যোৱা এমাহৰ পৰা এই সমষ্টিকেইটাত এক পৰিৱৰ্তন দেখা গৈছে। কাৰণ এই সমষ্টিবোৰতো শেহতীয়াকৈ মানুহে বিজেপিৰ প্ৰতিহে আকৰ্ষিত হৈছে। অৱশ্যে উপ-নিৰ্বাচনক লৈ এই সমষ্টিসমূহলৈ মই এতিয়ালৈকে যাব পৰা নাই। তাত মন্ত্ৰী পীযুষ হাজৰিকা, অতুল বৰা, কেশৱ মহন্ত আৰু জিতু গোস্বামীয়েহে কাম কৰি আছে আৰু তেওঁলোকৰ সাংগঠনিক কাম-কাজতেই স্পষ্ট হৈছে যে উপ-নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত এতিয়া বিজেপিৰ অৱস্থা বহুত ভাল। গতিকে নিৰ্বাচনৰ ফলাফলে সকলো পৰিস্কাৰ কৰি দিব। কিন্তু এই কথাও স্পষ্ট *৭ পৃষ্ঠাত*



## শিঙিমাৰী আলিকাষত 'অনুৰাগ হাস্পতাল'ৰ শুভ উদ্বোধন মুখ্যমন্ত্ৰী বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীৰ



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ হাজো-শুৱালকুছি সমষ্টিত শিঙিমাৰী আলিকাষত স্বাস্থ্যখণ্ডত নতুনকৈ সংযোজিত হ'ল 'অনুৰাগ হাস্পতাল'। যোৱা ১৪ চেপ্তেম্বৰত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে ব্যক্তিগত নাৰ্ছিং হোমখনৰ। স্বাস্থ্যসেৱাক অধিক উন্নত আৰু জনসাধাৰণৰ বাবে সহজলভ্য কৰাৰ লক্ষ্যৰে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই গ্ৰহণ কৰা ধাৰাবাহিক পদক্ষেপসমূহে অসমৰ স্বাস্থ্যখণ্ডত উন্নয়নৰ এক নতুন দিগন্ত উন্মোচিত কৰিছে। তেখেতৰ নেতৃত্বত ৰাজ্যৰ স্বাস্থ্যসেৱা ব্যৱস্থাই ক্ৰমাগতভাৱে অধিক শক্তিশালী ৰূপান্তৰ লাভ কৰিছে। হাজোৰ শিঙিমাৰীত 'অনুৰাগ হাস্পতাল'ৰ সংযোজনে হাজো-শুৱালকুছি সমষ্টিৰ ৰাইজৰ বাবে উন্নত চিকিৎসা সেৱা অধিক সহজলভ্য কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি কয় মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। অনুৰাগ হাস্পতালৰ শুভ উদ্বোধনী অনুষ্ঠানত হাজো শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, শুৱালকুছি জিলা পৰিষদৰ সদস্য ধীৰাজ মহন্ত, বিশিষ্ট সমাজকৰ্মী দেবেন্দ্ৰনাথ কাকতি, বিশিষ্ট সমাজকৰ্মী বলেন ৰাজবংশী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ব্যক্তিগত সহায়ক দিগন্ত শৰ্মা, নাৰ্ছিং হোমখনৰ স্বত্বাধিকাৰী বিশিষ্ট সু-চিকিৎসক, অৱসৰপ্ৰাপ্ত জিলা স্বাস্থ্য বিষয়া ডাঃ গৌৰাংগ দাস আদি উপস্থিত থাকি নাৰ্ছিং হোমখনলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে।

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সপোন তথা কল্পিত বৰ অসমৰ সুন্দৰতা

■ **লক্ষীনন্দন কলিতা**

'ব্ৰহ্মপুত্ৰৰ বুকুত যি অসমে ইতিহাস লিখিছে,

সেই অসমেই আজি উন্নয়নৰ নতুন দিগন্তলৈ আগুৱাইছে। ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত 'বৰ অসম'ৰ সপোনে ঐতিহ্যৰ শিপাত ভৰ দি আধুনিকতাৰ আকাশ চুব বিচাৰিছে।'

'অসম'-এটা শব্দ কিন্তু এই শব্দৰ বুকুত নিহিত হৈ আছে এটা জাতিৰ ইতিহাস, ঐতিহ্য, আত্মপৰিচয় আৰু অগণন মানুহৰ সপোন। ব্ৰহ্মপুত্ৰৰ পাৰৰ এই ভূখণ্ডে যুগে যুগে শংকৰদেৱ-মাধৱদেৱৰ আধ্যাত্মিক চেতনা, লাচিত বৰফুকনৰ বীৰত্ব আৰু জ্যোতিপ্ৰসাদ-বিষ্ণুৰাভাৰ সাংস্কৃতিক সাধনাৰে নিজৰ স্বকীয় পৰিচয় গঢ়ি তুলিছে। সেই ঐতিহ্যক সাৰথি কৰি আধুনিক, শক্তিশালী আৰু আত্মনিৰ্ভৰ অসম গঢ়াৰ আকাংক্ষাই আজি নতুন ৰূপ লাভ কৰিছে। এই বৃহত্তৰ সপোনৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ *৭ পৃষ্ঠাত*

## প্ৰধানমন্ত্ৰীৰ ২৫ বছৰীয়া জনসেৱা, শিৱসাগৰ জিলাত 'সেৱা সংকল্প অভিযান' অনুষ্ঠিত



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৫ বছৰীয়া জনসেৱাৰ স্মৰণত সমগ্ৰ ৰাজ্যৰ লগতে শিৱসাগৰ জিলাতো বিভিন্ন কাৰ্যসূচীৰে ১৭ ছেপ্টেম্বৰৰ পৰা ১৭ অক্টোবৰলৈ 'সেৱা সংকল্প অভিযান' অনুষ্ঠিত কৰা হৈছে। 'সেৱা সংকল্প অভিযান'ৰ বিভিন্ন কাৰ্যসূচী তথা বিভাগীয় দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে আলোচনা কৰাৰ অৰ্থে যোৱা ১৪ ছেপ্তেম্বৰত জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাসৰ অধ্যক্ষতাত জিলা আয়ুক্ত কাৰ্যালয়ৰ চ্যুকাফা সভাকক্ষত এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হয়। সভাত জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাসে সংশ্লিষ্ট সকলোকে চৰকাৰে প্ৰদান কৰা কাৰ্যবাহী আদেশ অনুসৰি মাহজুৰি অব্যাহত থাকিবলগীয়া এই কাৰ্যসূচী সাফল্যমণ্ডিত কৰিবলৈ আহ্বান জনায়। সভাত অতিৰিক্ত জিলা আয়ুক্ত ত্ৰয় লুকুমণি বড়া, গৌৰীপ্ৰিয়া দেউৰী আৰু মীনাক্ষী পেৰ্মে, সহকাৰী আয়ুক্ত অন্বেষা ঠাকুৰ প্ৰমুখ্যে বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

## সমাজসেৱক পুনিৰাম শইকীয়া আৰু মুকুল চন্দ্ৰ বৰাক আৰোহণ সমাজ সেৱা বঁটা প্ৰদান

**বিশেষ সংবাদদাতা, নগাঁও ঃ** অসমৰ বৌদ্ধিক আৰু সামাজিক জগতৰ সুপৰিচিত নাম, অশীতিপৰ কবি, প্ৰকৃতিপ্ৰেমী আৰু সমাজকৰ্মী পুনিৰাম শইকীয়া আৰু নগাঁও জিলাৰ ভেৰভেৰী বকুলৰ গুৰি গাঁৱৰ নিৱাসী তথা অসম চৰকাৰৰ ভূমি অধিলেক্ষ্য আৰু জৰীপ বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া মুকুল চন্দ্ৰ বৰাক যুটীয়াভাৱে ৰাজ্যৰ মৰ্যাদাপূৰ্ণ 'আৰোহণ সমাজ সেৱা বঁটা-২০২৫-২৬' প্ৰদান কৰা হয়। যোৱা ৮ ছেপ্তেম্বৰ, সোমবাৰে বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি আৰু হিয়াৰ আমঠু জুবিন গাৰ্গৰ সোঁৱৰণত অসমৰ আগশাৰীৰ স্বেচ্ছাসেৱী সংস্থা আৰোহণ আৰ্টিষ্ট গীল্ড, গুৱাহাটীৰ উদ্যোগত গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰ প্ৰেক্ষাগৃহত আয়োজিত অসম ৰাজ্যিক শিশু বিকাশ সমাৰোহ, আৰোহণ বঁটা প্ৰদান অনুষ্ঠান আৰু অসমীয়া জাতীয় সাংস্কৃতিক সমাৰোহত এই বঁটা প্ৰদান কৰা হয়। গীল্ডৰ সম্পাদক দীপক পাঠকে জনোৱা মতে, ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়া গীল্ডে প্ৰতি বছৰে সমাজত ত্যাগ, সততা, *৭ পৃষ্ঠাত*

### শুৱালকুছিত চাইবাৰ ক্ৰাইমৰ বলি এগৰাকী যুৱতী

# AI ৰ জৰিয়তে অশ্লীল ফটো প্ৰস্তুত কৰি যুৱতী গৰাকীক ব্লেকমেইলিং চেষ্টা

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত পূব শুৱালকুছি পঞ্চায়তৰ ফুলবাৰী পাহাৰৰ এগৰাকী যুৱতী প্ৰৱঞ্চনাৰ বলী হৈ হেৰুৱালে লগা হৈছে একাউণ্টৰ সাঁচতীয়া ধন। বিচৰা ধন নিদিলে AI ৰ জৰিয়তে ফটো বিকৃত কৰি অশ্লীল ফটো ভাইৰেল কৰাৰ ভাবুকি দিয়ে যুৱতী গৰাকীক। ঘটনা অনুসৰি ১৩ ছেপ্টেম্বৰৰ পুৱা প্ৰায় ৮-৫১ মিনিটত +92 3075 24 5426 নম্বৰৰ পৰা যুৱতী গৰাকীৰ মোবাইললৈ এটা ফোন কল আহে। হিন্দী ভাষাত কথা কোৱা এজন যুৱকে প্ৰথমে যুৱতী গৰাকীক ফোন যোগে জনাই যে যুৱতী গৰাকীয়ে এটি এপৰ জৰিয়তে ঋণ লৈছে আৰু সেই ঋণৰ কিস্তি পৰিশোধ কৰা নাই। যাৰ বাবে ১০ মিনিটৰ ভিতৰত দুই হাজাৰ টকা পৰিশোধ কৰিব লাগিব। কিন্তু যুৱতী গৰাকী বিষয়তো গুৰুত্ব সহকাৰে নলৈ ফোন নম্বৰটো ব্লক কৰি দিয়ে। তাৰ পিচতে অন্য এটা নম্বৰৰ পৰা ফোন কলৰ জৰিয়তে যুৱতী গৰাকীক যোগাযোগ কৰি পুনৰ টকা দাবী কৰে লগতে দাবী কৰা ধন নিদিলে যুৱতীগৰাকীৰ অশ্লীল ফটো ভাইৰেল কৰাৰ ভাবুকি প্ৰদান কৰে। যুৱতী গৰাকী টকা দিবলৈ অমান্তি হৈ ফোনটোৰ যোগাযোগ বিছিন্ন কৰি দিয়ে। কিয়নো যুৱতী গৰাকীয়ে তেনেধৰনৰ কোনো এপৰ জৰিয়তে ঋণ লোৱা নাই। কিন্তু তাৰে কিছু সময় পিছতে সঁচাকৈ মুখখনৰ অবিকল মিল থকা এখন অশ্লীল ফটো AI জৰিয়তে প্ৰস্তুত কৰি যুৱতী গৰাকীৰ মোবাইলৰ হোৱাট এপ নম্বৰলৈ প্ৰেৰণ কৰে। তাৰ পিছতে যুৱতী গৰাকীয়ে ভয় খাই ২০০০ টকা তেওঁলোকক ফোন-পেৰ স্কেনাৰৰ জৰিয়তে প্ৰেৰণ কৰে। ২০০০ টকা পঠোৱাৰ পিছত পুনৰ ২০০০ টকা বিচাৰে। সেইবাৰো যুৱতী গৰাকীয়ে ২০০০ টকা তেওঁলোকলৈ প্ৰেৰণ কৰে। আকৌ ২৫০০ টকাকৈ দুবাৰ বিচাৰে। প্ৰথম বাৰ ২৫০০ টকা দিয়ে যদিও দ্বিতীয় বাৰ ২৫০০ টকাটো দিবলৈ আমন্তি হয় যদিও আকৌ ফোনযোগে অশ্লীল ফটো যুৱতী গৰাকীৰ মোৱাইলত থকা বন্ধুসকললৈ প্ৰেৰণ কৰাৰ ভাবুকি দিয়ে। উপায়ন্তৰ হৈ বিচৰা ধৰণে মুঠ ৯০০০ হাজাৰ টকা পঠোৱাৰ পিছতে প্ৰায় এঘন্টাৰ পিচত পুনৰ ৪৫০০ টকা বিচাৰি মেচেজ পঠিয়াই। এই ঘটনাত উপায়বিহীন হৈ অৱশেষত যুৱতী গৰাকী শুৱালকুছি আৰক্ষীৰ কাষ চাপি এখন এজাহাৰ দাখিল কৰে। আৰক্ষীয়ো সদ্যহতে যুৱতী গৰাকীক মোবাইলটো আৰু চিমকাৰ্ডখন ব্যৱহাৰৰ নকৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে ঘটনা সম্পৰ্কত তদন্ত আৰম্ভ কৰা বুলি জানিব দিয়ে। কিন্তু মোৱাইলটো বন্ধ কৰাৰ পিছতো তেওঁলোকৰ পৰিয়ালৰ অন্যলোক সকলকো যুৱতী গৰাকীক বিচাৰি ফোন কৰি মানসিক হাৰাশাস্তি কৰি আছে। এতিয়া উপায়বিহীন হৈ পৰিছে পৰিয়ালটো। মোবাইলৰ ব্যৱহাৰে এগৰাকী যুৱতীক মানসিক শান্তি আৰু শ্লীলতা হানি কৰা এইসকল প্ৰৱঞ্চক সমগ্ৰ দেশতে এতিয়া সক্ৰিয় হৈ পৰিছে। সেয়েহে এইক্ষেত্ৰত মোবাইল ব্যৱহাৰকাৰী সকলৰ সতৰ্কতা আৰু বিশেষ সজাগতাৰ প্ৰয়োজন আহি পৰিছে।

# উষানগৰী তেজপুৰত কে এন কে স্কুল অব্ ফাইন আৰ্টৰ একাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে চিত্ৰাঙ্কন প্ৰতিযোগিতা সম্পন্ন



**চন্দন শৰ্মা, তেজপুৰ ঃ** উষানগৰী তেজপুৰৰ পৰুৱা চাৰিআলি ওচৰৰ নিকামূলত ২০১৫ চনতে স্থাপন হোৱা কে এন কে স্কুল অব্ ফাইন আৰ্টৰ একাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি দেওবাৰে এখনি চিত্ৰাঙ্কন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কে এন কে স্কুল অব ফাইন আৰ্টৰ অধ্যক্ষা তথা চিত্ৰ শিল্পী মণিমালা বৰাই আঁত ধৰা অনুষ্ঠানটিত কাৰ্যসূচী মৰ্মে বিশ্বৰ হামিং কিং তথা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ লগতে বিদ্যালয়খনৰ প্ৰতীক চিহ্নত বন্তি প্ৰজ্বলন কৰে তেজপুৰৰ প্ৰবীণ চিত্ৰ-ভাস্কৰ্য শিল্পী, ২০২৬ বৰ্ষৰ ৰাভাৰ আভা বঁটা প্ৰাপক, তেজপুৰ আৰ্টিষ্টছ ফ'ৰামৰ প্ৰতিষ্ঠাপক সভাপতি তথা প্ৰতিযোগিতাৰ বিচাৰক হৰিনাৰায়ণ দাসে । বিশিষ্ট অতিথি হিচাপে আসন অলংকৃত কৰে ৰহস্য আলোচনীৰ সম্পাদক, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সহকাৰী সম্পাদক তথা অসমীয়া খবৰ কাকতৰ ঢেকিয়াজুলীৰ সাংবাদিক পলিমা চেতিয়া বসুমতাৰীয়ে। আমন্ত্ৰিত অতিথিৰ আসন অলংকৃত কৰে ওডালগুৰি জ্যেষ্ঠ সাংবাদিক নৱ কুমাৰ ডেকা, জামুগুৰিহাটৰ যুৱ সাংবাদিক তথা অসম বুক অফ ৰেকৰ্ডছৰ বঁটা প্ৰাপক চন্দন শৰ্মাই। বিচাৰকৰ আসন অলংকৃত কৰে বিশিষ্ট চিত্ৰ শিল্পী তথা তেজপুৰ আৰ্টিষ্টছ ফ'ৰামৰ উপ সভাপতি তথা আন্তঃৰাষ্ট্ৰীয় শ্ৰেষ্ঠ কলা শিক্ষকৰ সন্মান প্ৰাপক মুকুট মহন্ত আৰু বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী তথা তেজপুৰ আৰ্টিষ্টছ ফ'ৰামৰ সাধাৰণ সম্পাদক ৰাজুমণি দাসে। শতাধিকৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা চাৰিটা শাখাত অনুষ্ঠিত হোৱা চিত্ৰাঙ্কন প্ৰতিযোগিতাখনিত বিজয়ীসকলক ট্ৰফী আৰু প্ৰশংসা পত্ৰৰে উষ্ম অভিনন্দন জ্ঞাপন কৰে। ইয়াৰ উপৰিও ২০২৫-২৬ বৰ্ষত ললিত কলা কেন্দ্ৰৰ পৰা অনুষ্ঠিত বিদ্যালয়ৰ পৰীক্ষাত ৮০ শতাংশৰ উৰ্দ্ধত নম্বৰ লাভ কৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অধ্যক্ষা মণিমালা বৰাই অসমীয়া জাতিৰ স্বাভিমান ফুলাম গামোছা আৰু এটি মেডেলৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰি উৎজ্বল ভৱিষ্যত কামনা কৰে।

# সমাগত বিশ্বকৰ্মা পূজা, বিশ্ব খনিকৰৰ প্ৰতিমাত শেষ পৰশ দিয়াত ব্যস্ত মৃন্ময় শিল্পী

**জয়ন্ত মুদৈ, নগাঁও ঃ** অসমীয়া বৰ্ষৰ ভাদ-আহিন মাহৰ সংক্ৰান্তি তিথিৰ দিনটোতে প্ৰান্তে প্ৰান্তে উদ্যাপন কৰা হয় বিশ্ব খনিকৰ বিশ্বকৰ্মা পূজা। যুগ যুগ ধৰি পৰম্পৰাগতভাৱে এই পূজাভাগ সম্পূৰ্ণ আধ্যাত্মিক ৰীতি-নীতিৰ মাজেৰে পালন কৰি অহা হৈছে। ইয়াৰ ব্যতিক্ৰম নহয় এই বছৰো। সেই হেতু সমগ্ৰ ৰাজ্যতে এতিয়া সৰ্বস্তৰৰ জনতা এই পূজাভাগ উদ্যাপনৰ বাবে সাজু হৈছে। সম্প্ৰতি অত্যাৱশ্যকীয় সামগ্ৰীৰ সীমাহীন মূলবৃদ্ধিয়ে সকলোকে ম্ৰিয়মান কৰি তুলিলেও সেই কথা মনৰ পৰা পাহৰি এই পূজা উদ্যাপনৰ বাবে ৰাজ্যবাসীয়ে নিজকে প্ৰস্তুত কৰি তুলিছে । ইয়াৰ বিপৰীতে বিশ্বকৰ্মা পূজালৈ যিমানে দিন চমু চাপিছে আহিছে, সিমানে বৃদ্ধি পাইছে মৃণ্ময় শিল্পীৰ ব্যস্ততা। সেয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাটো মৃণ্ময় শিল্পীসকলৰ মাজত দেখা গৈছে ব্যাপক তৎপৰতা। এই কষ্টসহিষ্ণু শিল্পীসকলে এতিয়া বহু আশাৰে বিশ্বকৰ্মাৰ মূৰ্তি নিৰ্মাণত দিনে-নিশাই ব্যস্ত হৈ পৰিছে। আধুনিকতাই সাম্প্ৰতিক সময়ত এই শিল্পকো প্ৰভাৱিত কৰিলেও নানা সমস্যাৰ মাজত ককবকাই থাকিও বহু কষ্টৰে দেহৰ ঘাম মাটিত পেলাই পুৰুষানুক্ৰমে চলাই অহা এই ব্যৱসায়ৰ জৰিয়তে এইবাৰ ব্যৱসায় কিছু ভাল হোৱাৰ আশা কৰিছে মৃন্ময় শিল্পীসকলে। গতিকে বিশ্বকৰ্মা পূজালৈ মাজত মাত্ৰ কেইমুহূৰ্তমানহে বাকী থকা অৱস্থাত মৃণ্ময় মূৰ্তিত শেষ পৰশ দিয়াত ব্যস্ত হৈ পৰিছে এই শিল্পীসকল।

# চাৰিঙৰ ধনীৰাম গগৈ মধ্য ইংৰাজী বিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উদ্যাপন



**দীপজ্যোতি কাকতি ঃ** শিৱসাগৰ জিলাৰ ঐতিহ্যমণ্ডিত চাৰিঙৰ নেওগ গোঁহাই পুখুৰী পাৰত অৱস্থিত ধনীৰাম গগৈ মধ্য ইংৰাজী বিদ্যালয়ত ইং ১২ ছেপ্টেম্বৰ তাৰিখে দিনজোৰা কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ তিৰোভাৱ তিথি ভক্তি আৰু শ্ৰদ্ধাৰে উদ্যাপন কৰা হয়। বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত এই তিৰোভাৱ তিথি উপলক্ষে সমগ্ৰ অঞ্চলটোতে এক অভূতপূৰ্ব আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি হয়। বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পূৰ্ণ সহযোগিতাত অনুষ্ঠিত এই অনুষ্ঠানত এশৰো অধিক ছাত্ৰ-ছাত্ৰীৰ লগতে বহুসংখ্যক অভিভাৱক-অভিভাৱিকা আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। মহাপুৰুষ গুৰুজনাক ভক্তিভাৱে স্মৰণ কৰি নাম-প্ৰসংগৰ সুৰীয়া ধ্বনিয়ে বিদ্যালয় পৰিৱেশ জীপাল কৰি তোলে। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰী, মহিলাৰ দিহা নামৰ ধ্বনিয়ে সমগ্ৰ অঞ্চলটোত এক গম্ভীৰ আৰু পৱিত্ৰ আধ্যাত্মিক পৰিৱেশৰ সূচনা কৰে। নামৰ সামৰণিত উপস্থিত সকলো ভক্তপ্ৰাণ ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ মাজত ভোগ আৰু পৱিত্ৰ মহাপ্ৰসাদ বিতৰণ কৰা হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক বুবুল কুমাৰ নাথে জনাই যে, প্ৰতিবছৰে বিদ্যালয়খনত গুৰুজনাৰ স্মৃতি সজীৱ কৰি ৰখাৰ মানসেৰে অতি নিষ্ঠা আৰু আধ্যাত্মিক অনুশাসনৰ মাজত এই তিৰোভাৱ তিথি পালন কৰা হৈ আহিছে। তেওঁ এই অনুষ্ঠানভাগি সুচাৰুৰূপে আৰু সুন্দৰভাৱে সমাপন কৰাত সহায়-সহযোগ কৰা শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ লগতে স্থানীয় ৰাইজকো আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

# টাইকোৱাণ্ডোত ৰাষ্ট্ৰীয় পৰ্যায়ত বিশ্বনাথ নৱোদয়ৰ অভূতপূৰ্ব সাফল্য

### অনিন্দিতাই সোণ আৰু নৱজিতে ব্ৰঞ্জৰ পদক লাভ কৰে




**চন্দন শৰ্মা, তেজপুৰ ঃ** ছত্তীছগঢ়ৰ ৰাজনন্দগাঁৱত সফলতাৰে সমাপ্ত হোৱা ৩৫ সংখ্যক এন ভি এছ নেচনেল টাইকোৱাণ্ডো মিট ২০২৬ (35th NVS National Taekwondo Meet 2026) ত এক সুন্দৰ সাফল্য অৰ্জন কৰিছে বিশ্বনাথ নৱোদয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে। সমগ্ৰ ভাৰতবৰ্ষৰ ১০ টা বিভিন্ন ৰিজনৰ মাজত অনুষ্ঠিত হোৱা এই তীব্ৰ প্ৰতিদ্বন্দিতাপূৰ্ণ ৰাষ্ট্ৰীয় টাইকোৱানডো প্ৰতিযোগিতাত বিদ্যালয়খনৰ খেলুৱৈসকলে সুন্দৰ প্ৰদৰ্শন দাঙি ধৰি বিদ্যালয়খনৰ লগতে সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাত 'শ্বিলং ৰিজন' দলক প্ৰতিনিধিত্ব কৰি বিশ্বনাথ নৱোদয় বিদ্যালয়ৰ দুজন প্ৰতিভাৱান খেলুৱৈয়ে ১টা সোণ আৰু ১টা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। পদক বিজয়ী খেলুৱৈ দুজন হ'ল অনিন্দিতা দেৱী সোণৰ পদক আৰু নৱজিৎ দাংগিয়াৰীয়ে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ত এই ঈৰ্ষণীয় সাফল্যৰ পিছতে বিশ্বনাথ নৱোদয় বিদ্যালয়ৰ অধ্যক্ষ ৰাজেশ কুমাৰ বৰ্মাই পদক বিজয়ী খেলুৱৈ দুগৰাকীক আন্তৰিক অভিনন্দন আৰু আশীৰ্বাদ জ্ঞাপন কৰে। খেলুৱৈ দুজনক উৎসাহিত কৰি অধ্যক্ষগৰাকীয়ে কয়, 'আমাৰ ছাত্ৰ-ছাত্ৰীৰ এই সফলতাত আমি অত্যন্ত গৌৰৱান্বিত। ভৱিষ্যতে তোমালোকে ক্ৰীড়া ক্ষেত্ৰত ইয়াতকৈও আৰু বহুত দূৰ আগুৱাই যাব লাগিব।' ৰাষ্ট্ৰীয় ক্ৰীড়া মঞ্চত বিদ্যালয়খনৰ এই অনবদ্য প্ৰদৰ্শনক লৈ বৰ্তমান সমগ্ৰ বিশ্বনাথ অঞ্চলৰ ক্ৰীড়াপ্ৰেমী ৰাইজৰ মাজত এক আনন্দৰ পৰিৱেশে বিৰাজ কৰিছে।

# মৃদুল ভূঞাৰ বলিষ্ঠ অভিনয়েৰে বৰদৈচিলাৰ মঞ্চত 'মৰি যাম তোৰ বাবে'

**মৃদুস্মিতা শৰ্মা ঃ** অভিনয় মঞ্চৰ অপ্ৰতিৰোধ্য অভিনেতা মৃদুল ভূএগাৰ বলিষ্ঠ অভিনয়েৰে সম্প্ৰতি ৰাজ্যৰ চুকে কোণে চৰ্চিত হৈ পৰিছে এখন নাটক । যিখন নাটকে উদ্বোধনী পেণ্ডেলৰ পৰাই চৰ্চাৰ এক অন্যতম বিষয় হৈ পৰিছে। তুমুল চৰ্চাৰ উৎস এই নাটখন হৈছে বৰদৈচিলা থিয়েটাৰৰ এই বৰ্ষৰ অনবদ্য নিবেদন অভিজিত ভট্টাচাৰ্য ৰচিত-পৰিচালিত 'মৰি যাম তোৰ বাবে'। বহু নাটকৰ জনপ্ৰিয়তা দেখিছোঁ । কিন্তু কোনো এখন নাটক এনেদৰে প্ৰতিটো দিশতে জনপ্ৰিয় হৈ পৰাটো খুব কম সংখ্যক নাটকৰ ক্ষেত্ৰতহে দেখিছোঁ। কিছুমান নাটক উপভোগ কৰি দৰ্শকে এনেদৰে মন্তব্য কৰাও দেখা যায়- 'নাটকখন ভাল, কিন্তু অভিনয় দুৰ্বল অথবা অভিনয় সুন্দৰ, কিন্তু নাটখনত একোৱেই নাই। নাটকৰ কাহিনী ভাল, কিন্তু প্ৰডাকচন দুৰ্বল। আশ্চৰ্যজনকভাৱে এই সকলোবোৰৰ উৰ্ধত আছিল 'মৰি যাম তোৰ বাবে'। নাটকখনৰ আটাইবোৰ দিশেই জাতিষ্কাৰ হৈ পৰিল। লক্ষণীয় কথাটো হ'ল উদ্বোধনী পেণ্ডেলৰ পাছতেই পাঠশালা, দৌলাশাল, হাৰিভাঙা, লেচেৰা, শিঙিমাৰী, সৰুপেটা, বৰপেটা ৰোড, আনন্দপুৰ আদি ঠাইত পূৰ্ব্বৰ সকলো অভিলেখ ভংগ কৰাৰ বিপৰীতে পূৰ্ণ প্ৰেক্ষাগৃহত প্ৰতিজন দৰ্শকে 'মৰি যাম তোৰ বাবে'ক এখন উচ্চ পৰ্যায়ৰ নাটক বুলি অভিহিত কৰাটো। নাটখনৰ এই জনপ্ৰিয়তাৰ মূল চাবিকাঠি আছিল এক হৃদয়স্পৰ্শী কাহিনী আৰু কাহিনীৰ দুৰন্ত গতি। এনে গতিময় কাহিনীক




বলিষ্ঠ অভিনয়েৰে অনন্য ৰূপ দিছে মঞ্চৰ ট্ৰেজেডী কিং মৃদুল ভূএগা, যোগেশ কাশ্যপ, কাজল শৰ্মা, গীতাঞ্জলি বৰা, জয়ন্ত, শৰ্মা, পংকুল বৰা, বিমল তালুকদাৰ, পংক্তি নেওঁগ, সুজিত বৰগোহাঁই, হেমন্ত ৰাজৰ চমকপ্ৰদ অভিনয়ে। নাটখনত সংযোজিত 'একে একে দুই হ'ল... শীৰ্ষক গীতটিও দৰ্শকৰ বাবে এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

# নৈনে চকৰিগাঁও স্বাস্থ্য উপকেন্দ্ৰৰ আধাৰশিলা স্থাপন

**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ কঠিয়াতলী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত নৈনে চকৰিগাঁও স্বাস্থ্য উপকেন্দ্ৰৰ যোৱা ৪ ছেপ্তেম্বৰ তাৰিখ শুকুৰবাৰে আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে ৫৯ নং বড়মপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। নৈনে চকৰিগাঁৰৰ বয়োজ্যেষ্ঠ ব্যক্তি, বিশিষ্ট সমাজ সংগঠক তথা পশ্চিম নৈনে মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক শিক্ষক সাধন চন্দ্ৰ বণিয়াই সভাপতিত্ব কৰা সভাখনত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বহুমুখী স্বাস্থ্যকৰ্মী লক্ষ্যজ্যোতি বৰাই। উদ্দেশ্য ব্যাখ্যাত বৰাই বহমপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ দ্বাৰা চকৰিগাঁও স্বাস্থ্য উপকেন্দ্ৰৰ আধাৰশিলা স্থাপনৰ লগতে চকৰিগাঁও স্বাস্থ্য উপকেন্দ্ৰৰ ফিল্ডৰ বাউণ্ডেৰিটো সম্পূৰ্ণ কৰি দিবলৈ বিধায়কক অনুৰোধ জনায়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বক্তব্য ৰাখে বহমপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। ভাষণ প্ৰসংগত বিধায়কে কয় যে শ্ৰী কৃষ্ণৰ জন্মাষ্টমীৰ পৱিত্ৰ দিনটোতে নৈনে চকৰিগাঁও অঞ্চলৰ ৰাইজে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান আঁচনিৰ অধীনত চকৰিগাঁও স্বাস্থ্য উপকেন্দ্ৰটিয়ে নতুন ৰূপত লাভ কৰিব। যাৰ দ্বাৰা চিকিৎসাৰ ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজ যথেষ্ট উপকৃত হ'ব। লগতে নতুনকৈ নিৰ্মাণ হ'বলগীয়া স্বাস্থ্য উপকেন্দ্ৰটোৰ সমান্তৰালকৈ ফিল্ডৰ বাউণ্ডেৰিটো সম্পূৰ্ণ কৰি ৰাইজৰ বাবে সুবিধা কৰি দিয়া হ'ব বুলি বিধায়কে নিজৰ ভাষণত ঘোষণা কৰে।

# বৰ্তমান সমাজখন কোন দিশে গতি কৰিছে ?

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

আজি প্ৰতিজন সচেতন মানুহৰে অনুভৱ। আগতে বাতৰিত দিল্লী, মুম্বাই, বেংগালুৰ অপৰাধৰ খবৰ শুনিছিলো। এতিয়া বাতৰিখন মেলি ল'লে, টিভিৰ বাতৰি বা সামাজিক মাধ্যমত দেখিছোঁ।

নগাঁৱত হত্যা, ডিব্ৰুগড়ত ডকাইতি, গুৱাহাটীত নিচাসক্ত যুৱকৰ আক্ৰমণ, পত্নীক হত্যা,মাতৃক বলৎকাৰৰ, পুত্ৰৰ হাতত পিতৃৰ মৃত্যু এশ এবুৰি ঘটনা অসমৰে বিভিন্ন ঠাইত। আন্তৰিকতা নোহোৱা হৈছে সম্পৰ্কৰ মাজতেই বিশ্বাসঘাতকতা। প্ৰশ্নটো একেই - আমি ক'লৈ গৈ আছোঁ?

যদি বিচাৰি চাওঁ বহুতো কাৰণৰ যোগসূত্ৰ --

১। যান্ত্ৰিক জীৱন আৰু সময়ৰ অভাৱ--

আগতে মাক-দেউতাক, ককা-আইতা, পেহা-খুৰা থকা ভৰপূৰ যৌথ পৰিয়াল আছিল। ককা-আইতাকে সন্ধিয়া ল'ৰা-ছোৱালীক কাষত বহুৱাই সাধু কৈছিল, নীতি-শিক্ষা দিছিল। এতিয়া যৌথ পৰিয়াল কমি আহিল। বৰ্তমান মা-দেউতাক আৰু সন্তান। এতিয়া মাক-দেউতাক দুয়ো দৌৰিছে কৰ্মস্থলীলৈ। ঘৰত আছে যদিও মনটো কিন্তু সন্তানক সময় দিব নোৱাৰে কৰ্মস্থলীলৈ যাব লাগিব। সন্তানে সময় নাপায়, মৰমৰ সলনি পায় এটা নতুন ফোন। ফোনটোৱে তাক কি দিয়ে? হিংসাৰে ভৰা গেম, ক্ষন্তেকতে ভাইৰেল হোৱা খণ্ডৰ ভিডিঅ', সহজে টকা ঘটাৰ লোভ। নিচাজাতীয় সামগ্ৰীৰ প্ৰতি আসক্তি। নাই কোনো মৰমেৰে হাত ফুৰাই বন্ধুত্বৰ পথ প্ৰদৰ্শক। সময়ৰ অভাৱত ককা-আইতা থাকে বৃদ্ধাশ্ৰমত। সিহঁতক পথ-প্ৰদৰ্শকৰ অভাৱ। নীতি -শিক্ষা কোমল মনতেই জুকিয়াই দিয়া আপোনজনৰ অভাৱ।

২। মূল্যবোধৰ সংকট-

এতিয়া আন্তৰিকতাৰে শব্দটো যুৱচামে বুজি নাপায়। সফলতা মানে কেৱল টকা, চাকৰি, গাড়ী বুলি ভাবিবলৈ লৈছো। মানুহৰ মানুহ হিচাপে মূল্য কমি গৈছে। এসময়ত গাঁৱত এটা অপৰাধ হ'ল গোটেই গাঁৱে লাজ পাইছিল। এতিয়া সামাজিক মাধ্যমত অপৰাধৰ ভিডিঅ'ক আমি লাইক, শ্বেয়াৰ কৰি চাওঁ। সংবেদনশীলতা নোহোৱা হৈ গৈছে।

৩। ম'বাইল আৰু নিচা-দুটা ডাঙৰ অভিশাপ

ম'বাইলে জ্ঞান দিছে, কিন্তু তাৰ লগতে অশ্লীলতা, জুৱা, ড্ৰাগছৰ নিচা। অসমৰ দৰে শান্ত ৰাজ্যতো ড্ৰাগছৰ কবলত পৰি সন্তানে মাক-দেউতাকক হত্যা কৰা ঘটনাই বুকু কঁপাই যায়। পত্নী, সন্তানৰ হত্যা। মানসিক ভাৰসাম্য হেৰুৱাই পেলাইছে। আৰ্থিক দূৰৱস্থাইও মানুহক চুৰি-ডকাইতিৰ পথলৈ ঠেলি দিছে নেকি?

তেন্তে উপায় কি?---

সমাজখন বেয়াৰ ফালে গৈছে বুলি কৈ বহি থাকিলে নহ'ব।

ঘৰৰ পৰা আৰম্ভ কৰিব লাগিব। দিনটোত আধা ঘণ্টা হ'লেও ম'বাইল নোহোৱাকৈ সন্তানৰ সৈতে কথা পাতক। সি কি চাইছে, কাৰ লগত আছে? খবৰ ৰাখক। সিহঁতৰ লগত বন্ধুত্ব স্থাপন কৰক। পিতৃ-মাতৃ আদিগুৰু। ককা-আইতাৰ মৰমৰ অনুভূতি অনুভৱ কৰিব দিয়ক।

সামাজিক মাধ্যমৰ ব্যৱহাৰ বাতৰি চাওক, কিন্তু বাতৰিৰ পিছে পিছে দৌৰি মানসিক চাপ নল'ব। ভাল খবৰ, ভাল কামবোৰো শ্বেয়াৰ কৰক।

চুবুৰীয়াৰ খবৰ ৰখা সংস্কৃতি ঘূৰাই আনক। আগতে এঘৰত বিপদ হ'লে দহঘৰ ওলাই আহিছিল। এতিয়া কাষৰ ঘৰৰ মানুহকো নিচিনো। সেই সম্পৰ্কবোৰ আকৌ জীয়াই তুলিব লাগিব।

সমাজখন এতিয়াও শেষ হৈ যোৱা নাই। এতিয়াও বানপানীত যুৱকে জীৱন দি আনক বচোৱা দেখিছোঁ।

মানুহে মানুহৰ বাবে শ্ৰদ্ধাৰ ড° ভূপেন হাজৰিকাৰ দেৱৰ গীতৰ বাণী সাৰোগত কৰি ডেকাচাম ওলাই আহিছে। এতিয়াও কোনোবাই ৰাস্তাত পৰি থকা মানুহক হাস্পতাললৈ নিয়ে। ভাল মানুহ বেছি আছে, বেয়া খবৰবোৰহে বেছি চিঞৰি থাকে।

আমি প্ৰতিজনে নিজৰ ঘৰখন, নিজৰ চুবুৰীটো শুধৰালে সমাজখন নিজে নিজে শুধৰণি হ'ব বুলি আশা কৰিব পাৰি।

**ম'বাইল ঃ ৭০০২৯-৪২৫৯১**

# বটদ্ৰৱা থানত ৩৭০ বছৰীয়া পৰম্পৰাৰে গুৰু কীৰ্তনৰ নিশা 'ভোজন বেহাৰ' প্ৰদৰ্শন

## কণ কণ শিশুৰ চমকেৰে বৃন্দাবনত পৰিণত নাটঘৰ



**জয়ন্ত মুদৈ, নগাঁও ঃ** অসমীয়া কৃষ্টি-সংস্কৃতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ নাতি-বোৱাৰী আই কনকলতাই বটদ্ৰৱা থান পুনৰ উদ্ধাৰৰ সময়ৰ পৰাই পৰম্পৰাগতভাৱে প্ৰতি বছৰে গুৰুজনাৰ তিৰোভাৱ তিথিৰ লগত সংগতি ৰাখি প্ৰদৰ্শন কৰি অহা হৈছে 'ভোজন বেহাৰ' ভাওনা। তদ্ৰুপ এইবাৰো ৩৭০ বছৰীয়া পৰম্পৰাক সাৰোগত কৰি গুৰুজনাৰ পৱিত্ৰ জন্মভূমিৰ বটদ্ৰৱা থানত শনিবাৰে নিশা কণ কণ শিশুসকলৰ দ্বাৰা অভিনীত কৰা হয় 'ভোজন বেহাৰ' ভাওনা। সেই অনুসৰি শংকৰদেৱৰ তিথি উপলক্ষে দিনৰ ভাগত থানত তাল কোবোৱা প্ৰসংগ, মঞ্জিৰা নাম, আইসকলৰ নাম, খোল প্ৰসংগ, নাম প্ৰসংগ আদি নিত্য নৈমিত্তিক প্ৰসংগৰ অন্তত পৰৱৰ্তী পৰ্যায়ত সন্ধিয়াৰে পৰা 'ভোজন বেহাৰ' ভাওনাখনি সুন্দৰ নাটকীয় বিন্যাসেৰে প্ৰদৰ্শন কৰা হয়। আটকধুনীয়াকৈ প্ৰদৰ্শিত ভাওনাখনিত কণ কণ শিশুসকলৰ চৰিত্ৰানুযায়ী বলিষ্ঠ অভিনয়ে উপস্থিত দৰ্শক ৰাইজক মন্ত্ৰমুগ্ধ কৰি তোলে। ঘাইকৈ ভাওনাখনিৰ কৃষ্ণ সহিতে বালক সকলে গৰু চৰাবলৈ যোৱা দৃশ্যাংশ, গীতৰ মাজেৰে কৃষ্ণ সহিতে বালক সকলে প্ৰৱেশ কৰা মনোমোহা নৃত্যত যেন একপ্ৰকাৰে বৃন্দাবনত পৰিণত হৈ পৰে বটদ্ৰৱা থানৰ নাটঘৰ। ইয়াৰে নাটখনিৰ কৃষ্ণ সহিতে বালকসকলে গৰু চৰাবলৈ যোৱা দৃশ্যাংশৰ গীত 'এ কানু সাজে' সিন্ধুৰা পৰি তালৰ গীতৰ মাজেৰে কৃষ্ণ সহিতে বালকসকলে প্ৰৱেশ কৰি কৃষ্ণই 'শ্যাম ৰায় বৃন্দাবনে চলি যায়' গীতত কৰা মনোমোহা নৃত্যই সকলোকে আপ্লুত কৰিবলৈ সক্ষম হয়। এক কথাত মহাপুৰুষ মাধৱদেৱ বিৰচিত অন্যতম ঝুমুৰা 'ভোজন বেহাৰ' উপভোগ কৰি দৰ্শক, ভকত-বৈষ্ণৱ সকলো আত্মবিভোৰ হৈ পৰে। ইফালে, ভাওনাৰ অন্তিত পৰ্যায়ত উপস্থিত সকলোৰে মাজত 'ভোজন বেহাৰ'ৰ প্ৰসাদ বিতৰণ কৰা হয়। মুঠতে পূৰ্ব পৰম্পৰাক সাৰোগত কৰি এনেদৰে নান্দনিক পৰিৱেশৰ মাজেৰে বটদ্ৰৱা থানৰ নাটঘৰত প্ৰদৰ্শিত কালজয়ী এই 'ভোজন বেহাৰ' ভাওনাই বটদ্ৰৱা থান প্ৰাংগণত এক আধ্যাত্মিক বাতাবৰণৰ সৃষ্টি কৰা দেখা যায়।

# নাজিৰাত সুলভ মূল্যৰ দোকানৰ অনুজ্ঞা-পত্ৰ অনলাইন নবীকৰণ প্ৰক্ৰিয়া সন্দৰ্ভত প্ৰশিক্ষণ সম্পন্ন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উদ্যোগত সুলভ মূল্যৰ দোকানসমূহৰ অনুজ্ঞা-পত্ৰ অনলাইনযোগে নবীকৰণ কৰা প্ৰক্ৰিয়া সন্দৰ্ভত ১৪ ছেপ্তেম্বৰত এক বিশেষ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত ক্ষেত্ৰীয় বিষয়াসকলৰ লগতে নাজিৰা সমজিলাৰ অন্তৰ্গত বিভিন্ন গাঁও পঞ্চায়ত সমবায় সমিতিৰ সম্পাদক তথা প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণত 'ইজ অফ ডুইং বিজনেছ' (EoDB) পৰ্টেলৰ জৰিয়তে কিদৰে সুলভ মূল্যৰ দোকানৰ স্বত্বাধিকাৰীসকলে অনলাইন মাধ্যমেৰে নিজ নিজ অনুজ্ঞা-পত্ৰ নবীকৰণ কৰিব পাৰিব, সেই সম্পৰ্কে বিভাগীয় বিষয়া-কৰ্মচাৰীসকলে বিস্তৃতভাৱে অৱগত কৰে। ইয়াৰ উপৰিও, নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত নাজিৰা সমজিলাৰ অন্তৰ্গত সকলো অনুজ্ঞা-পত্ৰ ১০০ শতাংশ অনলাইন নবীকৰণ সুনিশ্চিত কৰিবলৈ উপস্থিত বিষয়া আৰু পঞ্চায়ত সমবায় সমিতিৰ প্ৰতিনিধিসকলক নিৰ্দেশনা প্ৰদান কৰা হয়।

# সুধাকণ্ঠৰ সুৰত মুখৰিত বস্ত্ৰনগৰী শুৱালকুছি

## ভূপেন হাজৰিকাৰ জন্ম-শতবাৰ্ষিকী উদ্‌যাপন



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** লুইতৰ গানৰে সমাজ সাৰ পোৱা, মাটিয়ে-মানুহে একাকাৰ হৈ পৰা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী সৃষ্টিৰ গুঞ্জনত ১৩ ছেপ্টেম্বৰত পুনৰ শিহৰিত হৈ পৰিল বস্ত্ৰনগৰী শুৱালকুছি। শুৱালকুছি সাংস্কৃতিক সন্মিলনৰ উদ্যোগত স্থানীয় শ্ৰীমন্ত শংকৰ নাটঘৰ প্ৰাংগণত গোটেই দিনটো ধৰি অতি আদৰেৰে উদ্‌যাপন কৰা হয় এই মহান শিল্পীগৰাকীৰ জন্ম-শতবাৰ্ষিকীৰ সামৰণি সমাৰোহ। পুৱাৰ সু-প্ৰভাতৰ পৰা আৰম্ভ কৰি নিজান নিশালৈকে-সমগ্ৰ শুৱালকুছি যেন সুধাকণ্ঠৰ অমৰ গীতি-সুধা আৰু শ্ৰদ্ধাঞ্জলিৰ আৱেগেৰে একাত্ম হৈ পৰে। দিনজোৰা কাৰ্যসূচীৰ অন্তৰ্গত বৈকাংশত আয়োজন কৰা স্মৃতিগ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি হাজো-শুৱালকুছি সমষ্টিৰ জনপ্ৰিয় বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে নিজৰ হৃদয়স্পৰ্শী বক্তব্যৰে সভাগ্ৰহ প্ৰাণৱন্ত কৰি তোলে। মানৱতাৰ অমৰ আহ্বান আৰু বিধায়কৰ শ্ৰদ্ধাৰ্ঘ্য উপস্থিত শ্ৰোতা আৰু সুধাকণ্ঠৰ অজস্ৰ অনুৰাগীক উদ্দেশ্যি বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে সুধাকণ্ঠৰ সৃষ্টিশীলতাক সোঁৱৰণ কৰি কয়- 'মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে...'-সুধাকণ্ঠৰ এই অমৰ আহ্বান কেৱল এটি গীতৰ সুৰীয়া কলিয়েই নহয়, ই হ'ল মানৱতা আৰু ভাতৃত্ববোধৰ এক যুগমীয়া চিৰন্তন অংকন। মাটি আৰু মানুহক বুকুৰ আপোন কৰি লোৱা ভূপেনদাই তেওঁৰ কালজয়ী সুৰেৰে অসমীয়া সমাজজীৱন, প্ৰকৃতি আৰু সাধাৰণ মানুহৰ সুখ-দুখৰ আশা-আকাংক্ষাক বিশ্বৰ বুকুত এক অনন্য চিনাকি দিলে।' তেওঁ আৰু উল্লেখ কৰে যে কায়িকভাৱে আমাৰ মাজৰ পৰা আঁতৰি গ'লেও, ভূপেনদাৰ অমৰ চিন্তাধাৰাই প্ৰতিজন অসমীয়াক আজিও মানুহৰ সংগ্ৰামৰ কাষত থিয় হ'বলৈ প্ৰেৰণাৰ পোহৰ দিয়ে। সংস্কৃতিৰ নিজৰা আৰু দিনজোৰা অনুভৱ। পুৱাৰ শুভাৰম্ভ আৰু প্ৰণাম। পুৱা ৯.০০ বজাত সন্মিলনৰ সভাপতি মৃগেন কুমাৰ দাসে আনুষ্ঠানিকভাৱে পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতেই প্ৰতিষ্ঠাপক সভানেত্ৰী কনকলতা দাসে স্মাৰকত বন্তি প্ৰজ্বলন কৰে। সেৱা আৰু শ্ৰদ্ধাঞ্জলি পৰ্বত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰী মাধৱদেৱ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু জনপ্ৰিয় শিল্পী জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা হয়। সুৰীয়া প্ৰতিযোগিতা আৰু মঞ্চ। অনাতাঁৰ শিল্পী বীৰেণ দাস সোঁৱৰণী মঞ্চখন যুৱনেতা ৰাজীৱ দাসে মুকলি কৰে। ইয়াৰ পিছতে ড° কেশৱ কলিতাই ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাখন উদ্বোধন কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় দুই শতাধিক প্ৰতিযোগীয়ে সুধাকণ্ঠৰ অমিয়া গীতসমূহ গাই নাটঘৰৰ চৌপাশ জীপাল কৰি তোলে। আৱেগিক স্মৃতিগ্ৰন্থ উন্মোচন। আবেলি অনুষ্ঠিত বিশেষ সভাত ড° কেশৱ কলিতাৰ উপস্থিতিত আমন্ত্ৰিত অতিথি কমল কটকী, মৃগেন কুমাৰ দাস, ধীৰাজ মহন্ত, নিপুল দাস, মুকুট ডেকা আৰু খনিকৰ দাসে ড° ভূপেন হাজৰিকাৰ সোঁৱৰণত প্ৰকাশ কৰা স্মৃতিগ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে। সন্ধিয়াৰ দীপাৱলী আৰু সামৰণি। সন্ধিয়াৰ কোমল পোহৰত ১০০ গছি বন্তি প্ৰজ্বলন কৰি সমগ্ৰ নাটঘৰ প্ৰাংগণ এক পৱিত্ৰ আলোকৰ মেলালৈ ৰূপান্তৰিত কৰা হয়। ইয়াৰ পাছতে প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰা হয় আৰু সন্মিলনৰ পতাকা অৱতৰণেৰে এই আধ্যাত্মিক আৰু সাংস্কৃতিক শতবাৰ্ষিকী সমাৰোহৰ সাফল্যমণ্ডিত সামৰণি পৰে।

# সাংস্কৃতিক প্ৰকল্পত শৰতৰ গ্ৰন্থ আবেলি



**ৰমেন ভৰালী, বংশৰ ঃ** শিশু সাহিত্য উত্তৰণ ন্যাস, অসমৰ উদ্যোগত যোৱা ১৩ ছেপ্তেম্বৰত গুৱাহাটীৰ মাছখোৱাস্থিত সাংস্কৃতিক প্ৰকল্পত শৰতৰ গ্ৰন্থ আবেলিত উন্মোচন কৰা হয় এশগৰাকী অৱসৰী শিক্ষকৰ আত্মকথন 'শিক্ষকতাৰ স্মৃতি আৰু অনুভৱ'। গ্ৰন্থখন উন্মোচন কৰি লেখক তথা বিজ্ঞানকৰ্মী সুৰেন্দ্ৰ নাথ লাউজাৰীয়ে শিক্ষকতাক বৃত্তিৰ পৰা প্ৰবৃত্তিলৈ উত্তৰণ ঘটাবলৈ শিক্ষক সমাজলৈ আহ্বান জনায়। বীৰেন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সভাতে অশ্বিনী কুমাৰ শৰ্মাৰ 'শিক্ষা বিমৃশা', কল্যাণ কলিতাৰ সংগৃহীত 'জ্যোতি প্ৰসাদৰ শিশু কবিতা', জিন্টী মেধিৰ 'এক দিগন্তৰ নতুন খোজত', উন্মোচিত হয়। অনুষ্ঠানত উত্তৰণ জীৱনি সঁফুৰাৰ ১২খন জীৱনিপুথি উন্মোচন কৰে শিক্ষাবিদ খনিন্দ্ৰ নাথ তালুকদাৰে। অনুষ্ঠানত অসমৰ পাঁচ গৰাকী অৱসৰী শিক্ষক যথাক্ৰমে গোবিন্দ নাৰ্জাৰী, ৰাজেন্দ্ৰ টুমুং, বদ্ৰী গুৱাগাঞী, এম আব্দুল মজিদখান আৰু কল্পনা শৰ্মালৈ সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। লগতে ৭ গৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে বীৰেন শৰ্মা, কিৰণ শৰ্মা বৰুৱা, ড° গৌতম চৌধুৰী, ড° শচীন্দ্ৰ কুমাৰ কলিতা, ড° বিনয় গোস্বামী, ড° কুলদীপ শৰ্মা আৰু ডাঃ অভিজিত ডেকাক কৃতজ্ঞতা প্ৰত্ৰৰে কৃতজ্ঞতা জ্ঞাপন কৰা হয়। সভাৰ আদিতে সচিব ৰবীন পাঠকে শিশু সাহিত্য উত্তৰণ ন্যাস, অসমৰ খতিয়ান দাঙি ধৰে। প্ৰকাশন সচিব দিলীপ শৰ্মাই ন্যাসে প্ৰকাশ কৰা পুথিসমূহৰ বিশদ ব্যাখ্যা আগবঢ়ায়। সভাৰ আঁত ধৰে সনাতন বৈশ্য আৰু অনসূয়া কলিতাই।

# বেবেজীয়াত এনাজৰী অসমৰ পঞ্চদশতম সাহিত্য চ'ৰা সম্পন্ন

## মুখপত্ৰ 'এনাজৰী ৰেঙণি' উন্মোচন



**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ অন্যতম অগ্ৰণী সাহিত্য-সামাজিক-সাংস্কৃতিক অনুষ্ঠান হৈছে 'এনাজৰী অসম'। আজিৰ পৰা প্ৰায় ছয় বছৰ পূৰ্বে জিলাখনৰ পশ্চিমাঞ্চলৰ বহুকেইজন সমাজপ্ৰিয় উদ্যমী ব্যক্তিৰ সুস্থ আৰু ব্যতিক্ৰমী চিন্তাৰে এক বৃহত্তৰ অঞ্চল সামৰি গঢ়ি উঠা এই অনুষ্ঠানটিয়ে সাহিত্য-সংস্কৃতি চৰ্চাৰ সুন্দৰ বাতাবৰণ গঢ়ি তুলিবলৈ সক্ষম হৈছে। ২০২০ চনৰ ডিচেম্বৰত অনুষ্ঠিত হোৱা প্ৰথমখনি সাহিত্য বৈঠকেৰে আনুষ্ঠানিকভাৱে এই অনুষ্ঠানটিৰ কাৰ্যপন্থাৰ শুভাৰম্ভ ঘটোৱাৰ পিছত বৰ্তমান ইয়াৰ সাহিত্য বৈঠকে সগৌৰৱে ৫০ তম সংখ্যাত উপনীত হৈছে। সেয়ে সৰুৰ পৰা জ্যেষ্ঠজনলৈকে সমন্বয়ৰ সেতু গঢ়ি তুলিবলৈ সক্ষম হোৱা এনাজৰী অসমৰ পঞ্চদশ তম সাহিত্য চ'ৰা উপলক্ষে দেওবাৰে জিলাখনৰ বেবেজীয়াৰ মাহৰিআটী হৰিহৰ দেৱালয় প্ৰাংগণত এখনি মুকলি আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰা হয়। সেই অনুসৰি যশস্বী শিশু সাহিত্যিক, 'নূপুৰ মোমাইদেউ' খ্যাত ত্ৰৈলোক্য ভট্টাচাৰ্যৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা সভাখনি কৃষ্টিনা বৰাৰ বৰগীত আৰু বেদস্মিতা শৰ্মাৰ গীতা শ্লোক পৰিৱেশনেৰে শুভাৰম্ভ কৰা হয়। এনাজৰী অসমৰ উপ-সভাপতি মহেশ্বৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনিত আদৰণি ভাষণ প্ৰদান কৰে সহকাৰী সম্পাদক বকুল চন্দ্ৰ শৰ্মাই। এনাজৰী অসমৰ সম্পাদক লৱকান্ত শৰ্মাই আঁত ধৰা সভাখনিত মুখ্য অতিথি হিচাপে উপস্থিত থাকি নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে প্ৰদান কৰা ভাষণত কয় যে- মৃত্যুতকৈ শ্ৰেষ্ঠ আৰ্শীবাদ। আৰ্শীবাদ পোৱাটো সহজ নহয়। এনাজৰী অসমে যিদৰে কাম কৰি আছে, তাৰ জৰিয়তে সকলোকে আদৰি ল'ব পাৰিছে। ফলত সকলোৰে পৰা আৰ্শীবাদ পাইছে। জ্যেষ্ঠসকল হৈছে জীৱন্ত পুথিভঁৰাল। সেইসকলক প্ৰাপ্য সন্মান দি আহিছে এনাজৰী অসমে। পূৰ্বৰ আৰু বৰ্তমানৰ আধুনিক সময়ৰ তুলনা কৰি কয় তেওঁ লগতে কয় যে-বৰ্তমান সময়ত আমি সম্বন্ধবোৰৰ পৰা যেন আঁতৰি গৈছো। কিন্তু এনাজৰীয়ে সেই সম্বন্ধবোৰ ধৰি ৰাখিব পাৰিছে। সভাত এনাজৰী অসমৰ মুখপত্ৰ 'এনাজৰী ৰেঙণি' উন্মোচন কৰে অসম চৰকাৰৰ ৰাজপত্ৰিত বিষয়া অজিত কুমাৰ শৰ্মাই আৰু প্ৰবীন কবি বকুল চন্দ্ৰ শৰ্মাৰ নৱতম কবিতা সংকলন 'উৰ্ম্মি হৃদয়ৰ' উন্মোচন কৰে বেবেজীয়া ভোগেশ্বৰ হাজৰিকা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ উপেন বৰাই। শিশু শিল্পী অপৰিজিতা কৌশিক, অদৃজ্যা কৌশিক আৰু ঋতম প্ৰিয়দৰ্শিনীৰ ভোৰতাল নৃত্যৰ লগতে গ্ল'ৰী কাশ্যপৰ সত্ৰীয়া নৃত্যই মনোৰঞ্জনৰ খোৰাক যোগোৱা সভাখনিত ডিমৰীয়া মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক মোহিনী মোহন ডেকাই অৱসৰী কৃতী শিক্ষকৰ বঁটা প্ৰাপক, কবি লক্ষ্মীনাৰায়ণ বৰাৰ কথা আৰু বিমান দত্তৰ সুৰেৰে সজোৱা 'এনাজৰীৰ গীত'টি শুভ উন্মোচন কৰে। উক্ত সভাতে এনাজৰী অসম আৰু মাহৰিআটী হৰিহৰ সমাজ কল্যাণ সংঘৰ ফালৰ পৰা শেহতীয়াকৈ নীটত সুখ্যাতিৰে উত্তীৰ্ণ হৈ চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তি কৰা মেধাৱী ছাত্ৰ দিব্যজ্যোতি শৰ্মা আৰু ৰাজদ্বীপ বৰাক অভিনন্দন জনোৱা হয়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত এনাজৰীৰ সভাপতি ধৰ্মেশ্বৰ বৰা, হৰিহৰ দেৱালয় পৰিচালনা সমিতিৰ সম্পাদক বকুল চন্দ্ৰ বৰা, প্ৰবীন শিল্পী গম্ভীৰ নাথ, 'এনাজৰী অসম'ৰ বিষয়ববীয়া মহেন্দ্ৰ শৰ্মা, গোপাল শৰ্মা, জয়ন্ত বৰদলৈ, গণেশ শৰ্মা, জিতেন ভট্টাচাৰ্য, উৎপল বৰা, বিনোদ বৰা, তাৰিনী মোহন শৰ্মা, মনোজ শৰ্মা, তপন শইকীয়া, লক্ষ্মীনাৰায়ণ বৰা, যুগম শৰ্মা, সুৰেন ৰাজখোৱা, ৰীণা দেৱী, পূৰ্ণিমা বেজবৰা, কমল বৰা, ৰিন্টু শৰ্মা আদিকে ধৰি বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# ঘগ্ৰাপাৰত চুৰিকাণ্ডত জড়িত বাহন সহ চোৰ আটক, সাত চোৰক জে'ললৈ



**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত বিভিন্ন স্থানত সঘন চুৰিকাণ্ড সংঘটিত হৈ থকাৰ সময়তে ঘগ্ৰাপাৰ থানাত নৱ নিযুক্ত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাণা ভূঞাই চোৰ ধৰা অভিযান তীব্ৰতৰ কৰি তুলি থানা এলেকাত সংঘটিত চুৰিকাণ্ডৰ লগত জড়িত কেইবাজনো চোৰক আটক কৰিবলৈ সক্ষম হৈছে। প্ৰাপ্ত বাতৰি মতে সোমবাৰে নিশা ঘগ্ৰাপাৰ বাঘমাৰাৰ পৰা পূৰ্ণিজানলৈ যোৱা প্ৰায় এক কিলোমিটাৰৰ অধিক দূৰত্বৰ উচ্চশক্তি সম্পন্ন (৩৩ হাজাৰ ভল্টৰ) বিদ্যুৎ পৰিবাহী তাঁৰ চুৰি হোৱাৰ পাছতে আৰক্ষী বিষয়া ৰাণা ভূঞাৰ নেতৃত্বত আৰক্ষীৰ দলে অভিযান চলায় বিদ্যুতৰ সামগ্ৰী, সামগ্ৰী কঢ়িওৱা বাহনসহ এগৰাকী চোৰ আটক কৰিবলৈ সক্ষম হয়। আটকাধীন চোৰটো মুকালমুৱা থানাৰ অন্তৰ্গত ঘোঁৰাবাহা গাঁৱৰ পৰান আলীৰ পুত্ৰ কামালুদ্দিন (৩৪) বুলি জানিব পৰা গৈছে। তদুপৰি উদ্ধাৰ হোৱা সামগ্ৰীখিনিৰ মূল্য আনুমানিক দুই লাখ পঞ্চাশ হাজাৰ টকা হ'ব বুলি জানিব পৰা হৈছে। AS13 AC 4910 নম্বৰৰ সামগ্ৰী কঢ়িওৱা বাহন সহ চোৰটো কৰায়ত্ত কৰি ইতিমধ্যে ঘগ্ৰাপাৰ থানাত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত 100/26 òÑ 303(2) ধাৰাত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে কুঁৱৰীকুছি গাঁৱৰ পৰা বিদ্যুতৰ তাঁৰসহ বিভিন্ন সামগ্ৰীৰ লগতে পাঁচজন চোৰ কৰায়ত্ত কৰাৰ উপৰিও নলবাৰী মেডিকেল কলেজৰ ওচৰৰ কপিলী মেডিকোজ নামৰ ফাৰ্মাচীখন চুৰি কৰা এগৰাকী চোৰক কৰায়ত্ত কৰি নলবাৰী জে'ল হাজতলৈ প্ৰেৰণ কৰিছে। ঘগ্ৰাপাৰ থানাৰ নৱ নিযুক্ত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাণা ভূঞাৰ নেতৃত্বত চুৰিকাণ্ডত জড়িত বৰ্তমানলৈ সাত গৰাকী চোৰক কৰায়ত্ত কৰি জে'ললৈ প্ৰেৰণ কৰিছে। তদুপৰি চোৰৰ লগতে বিভিন্ন চুৰি সামগ্ৰী উদ্ধাৰ কৰাত স্থানীয় ৰাইজে সন্তোষ প্ৰকাশ কৰিছে।

# মুকালমুৱাত জুবিন গাৰ্গ ফুটবল একাডেমীৰ নতুন আৱাসগৃহ আৰু জাৰ্চি মুকলি

## ‘ৰৈ ৰৈ বিনালে’ বিনামূলীয়া প্ৰদৰ্শনৰ কথাও ঘোষণা কৰি গৰিমা গাৰ্গে কৰিলে শুভ উদ্বোধন



**শংকৰ দাস, বৰক্ষেত্ৰী-মুকালমুৱা ঃ** নলবাৰী জিলাৰ মুকালমুৱাত জুবিন গাৰ্গ ফুটবল একাডেমীৰ নতুন আৱাসগৃহ আৰু জাৰ্চি মুকলি কৰা হয়। মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাৰ দ্বাৰা পৰিচালিত একাডেমীখনৰ নৱনিৰ্মিত আবাসগৃহ আৰু নতুন জাৰ্চি জুবিন গাৰ্গৰ সহধৰ্মিনী গৰীমা শইকীয়া গাৰ্গে আনুষ্ঠানিকভাৱে মুকলি কৰে। নৱপ্ৰজন্মৰ মাজত ক্ৰীড়াৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লগতে গ্ৰামাঞ্চলৰ প্ৰতিভাৱান ফুটবল খেলুৱৈসকলক উন্নত প্ৰশিক্ষণ আৰু প্ৰয়োজনীয় সুবিধা প্ৰদানৰ লক্ষ্যৰে গঢ়ি তোলা হৈছে এই ফুটবল

*৭ পৃষ্ঠাত*

# শিৱসাগৰত নৱম ৰাষ্ট্ৰীয় পোষণ মাহৰ জিলা ভিত্তিক শুভাৰম্ভণি অনুষ্ঠান



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চুকাফা সভাকক্ষত মহিলা আৰু শিশু উন্নয়ন বিভাগ, শিৱসাগৰৰ অধীনৰ পোষণ অভিযানৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত যোৱা ৯ ছেপ্তেম্বৰত নৱম ৰাষ্ট্ৰীয় পোষণ মাহ- ২০২৬ৰ জিলা পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠানটি অনুষ্ঠিত হয়। অহা ৮ অক্টোবৰলৈ অনুষ্ঠিতব্য নৱম ৰাষ্ট্ৰীয় পোষণ মাহৰ জিলা পৰ্যায়ৰ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল য়াদৱে। জিলা আয়ুক্তগৰাকীয়ে তেখেতৰ বক্তব্যত পোষণ মাহৰ সমূহ কাৰ্যসূচীৰ ফলপ্ৰসু ৰূপায়ণৰ জৰিয়তে প্ৰসূতি আৰু গৰ্ভৱতী মাতৃৰ পৰিপুষ্টিসাধন তথা স্বাস্থ্যৰ যতন, শিশুৰ স্বাস্থ্য, বিকাশ আৰু পৰিপুষ্টি নিশ্চিতকৰণৰ লগতে অভিযানত সামূহিক সক্ৰিয় অংশীদাৰিত্ব নিশ্চিত কৰি ব্যাপক জনসজাগতা বৃদ্ধি আদিৰ প্ৰভাৱপূৰ্ণ কাৰ্যকৰীকৰণ কৰাৰ পোষকতা কৰে। এই ক্ষেত্ৰত তেওঁ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ লগতে সংশ্লিষ্ট বিভাগসমূহ যেনে শিক্ষা, স্বাস্থ্য আৰু জনস্বাস্থ্য কাৰিকৰী আদিৰ পূৰ্ণ সহযোগিতা আৰু সু-সমন্বয় থকাটো অপৰিহাৰ্য্য বুলি মতপোষণ কৰে। তেওঁ বিভাগীয় বিষয়াসকলক পোষণ মাহৰ সকলো কাৰ্যসূচী সফলভাৱে সমাপন কৰি তৃণমূল পৰ্যায়ৰ পৰা পোষণ অভিযানক জন আন্দোলন আগবঢ়াই নিবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনায়। লগতে তেওঁ অতিমাত্ৰা পুষ্টিহীনতাত ভোগা শিশুসকলৰ চিনাক্তকৰণত অধিক গুৰুত্ব আৰোপ কৰি স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ আহ্বান জনায়। জিলা আয়ুক্তগৰাকীয়ে ‘আমাৰ অংগনৱাড়ী আমাৰ দায়িত্ব’ শীৰ্ষক চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় পোষণ মাহৰ মূল আলোচ্য বিষয় অনুসৰি অংগনৱাড়ী কেন্দ্ৰ পৰ্যায়ত পৰিপুষ্টিৰ ক্ষেত্ৰত বিশেষ আৰু উদ্ভাৱনী পদক্ষেপ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰীয়ে নিজ বক্তব্যত কয় যে, সুস্থ মাতৃ আৰু সুস্থ শিশুৱে এখন সৱল ৰাষ্ট্ৰৰ ভেটি নিৰ্মাণ কৰে; সেয়েহে, সংশ্লিষ্ট সকলোৱে শিশু আৰু মাতৃৰ পৰিপুষ্টি সাধন সু-নিশ্চিত কৰাৰ ক্ষেত্ৰত দায়িত্ব সহকাৰে আগভাগ ল’ব লাগিব। তেওঁ লগতে কয় যে, পোষণ মাহ উদ্‌যাপনৰ মাজতেই বিভাগীয় দায়িত্ব শেষ হৈ যাব নালাগে। পৰিপুষ্টিৰ ক্ষেত্ৰত এই অভিযান নিয়মিত তথা অবিৰামভাৱে অব্যাহত ৰাখিব লাগিব। জিলা সমাজ কল্যাণ বিষয়া প্ৰীতিশা কলিতাই অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি পোষণ মাহৰ কাৰ্যসূচীসমূহৰ বিষয়ে বিস্তৃতভাৱে পাৱাৰ পইণ্ট প্ৰেজেণ্টেচনৰ জৰিয়তে অৱগত কৰে। উল্লেখ্য যে, অনুষ্ঠানত পোষণ ট্ৰেকাৰ, নিয়মীয়া গৃহ পৰিদৰ্শন আৰু শেহতীয়া বানপানীৰ সময়ত উল্লেখনীয় সেৱা আগবঢ়োৱাৰ বাবে জিলাখনৰ ৬টা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত ৬ গৰাকী অংগনৱাড়ীকৰ্মীক সম্বৰ্ধনা জনোৱাৰ লগতে শ্ৰেষ্ঠ পাৰদৰ্শিতাৰ বঁটা প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস, সহকাৰী আয়ুক্ত অন্বেষা ঠাকুৰ, যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ অৰুন্ধতী হাজৰিকা বড়া, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, খাদ্য সুৰক্ষা বিভাগ, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, শিৱসাগৰৰ জিলা প্ৰকল্প প্ৰৱন্ধক, জিলা প্ৰকল্প প্ৰৱন্ধক (পিএম পোষণ) চেভ দ্যা চিলড্ৰেন (Save the Children) স্বেচ্ছাসেৱী সংগঠনৰ বিষয়ববীয়াৰ সৈতে শিৱসাগৰ জিলাৰ পৰিপুষ্টি পুনৰ সংস্থাপন কেন্দ্ৰৰ পৰিপুষ্টি পৰামৰ্শদাতা, জিলা মহিলা সৱলীকৰণ কেন্দ্ৰৰ জিলা মিছন সমন্বয়ক, সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াসকল, পোষণ অভিযানৰ জিলা সমন্বয়ক, জিলা প্ৰকল্প সহায়ক, খণ্ড সমন্বয়কসকল আৰু পোষণ মাহ ৰূপায়ণৰ মূল চালিকা শক্তি মুখ্যসেৱিকাসকল উপস্থিত থাকে।

# বেজী-সুতাৰে প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু বিত্ত মন্ত্ৰীৰ প্ৰতিচ্ছবি অংকন নিৰুপমা দত্ত চৌধুৰীৰ



**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** নলবাৰী জিলা ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিলপাৰ গাঁৱৰ প্ৰয়াত মুকুল দত্ত চৌধুৰী কনিষ্ঠ কন্যা তথা নৱ প্ৰজন্মৰ প্ৰতিভা সম্পন্ন শিল্পী নিৰুপমা দত্ত চৌধুৰীয়ে বেজী-সুতাৰে হাতৰ যাদু প্ৰদৰ্শন। তেওঁ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু নলবাৰী সমষ্টিৰ বিধায়ক তথা বিত্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ প্ৰতিচ্ছবি বেজী-সুতাৰে অংকন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। যুৱতীগৰাকীয়ে বেজী-সুতাৰে তেওঁৰ প্ৰিয় ৰাজনীতিক ব্যক্তি তিনি গৰাকীৰ প্ৰতিচ্ছবি অংকন কৰাৰ লগতে আজি বিজেপিৰ ঘগ্ৰাপাৰ মণ্ডল কাৰ্যালয়ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ হাতত অৰ্পণ কৰে। বেজী - সুতাৰে অংকন কৰা প্ৰতিচ্ছবিখন গ্ৰহণ কৰি মন্ত্ৰী গৰাকীয়ে তেওঁৰ প্ৰতিভাক শলাগ লোৱাৰ লগতে আগন্তুক দিনত ইয়াতকৈ আৰু অধিক উন্নতমানৰ প্ৰতিচ্ছবি অংকন কৰাৰ আশা প্ৰকাশ কৰে।

# পশ্চিম নগাঁৱৰ বিভিন্ন প্ৰান্তত ‘জুবিন গাৰ্গ দিৱস’ৰ আয়োজন

**জয়ন্ত মুদৈ, নগাঁও ঃ** অসমীয়াৰ হিয়াৰ আমঠু গণশিল্পী জুবিন গাৰ্গৰ এক সন্দেহজনক পৰিস্থিতিত মহাপ্ৰয়াণ ঘটা ঘটনাই মাত্ৰ কেইদিনমান পিছতে এটা বছৰ সম্পূৰ্ণ কৰিব। মৰমৰ শিল্পীজনৰ মহাপ্ৰয়াণত আৱেগিক হৈ পৰা জনতাই আজিও পাহৰিব পৰা নাই অভিশপ্ত সেই দিনটোৰ কথা। সেয়ে কায়িকভাৱে আঁতৰি গ’লেও সকলোৰে অন্তৰত জীয়াই থকা যুগজয়ী শিল্পীজনাক অহা ১৯ ছেপ্টেম্বৰত স্মৰণ কৰাৰ মানসেৰে ৰাজ্যৰ সৰ্বত্ৰে ব্যাপক প্ৰস্তুতি চলিছে। ইয়াৰ ব্যতিক্ৰম নহয় নগাঁও জিলাও। কিয়নো, জিলাখনৰ চুকে-কোনে মৰমৰ শিল্পীজনৰ প্ৰতি শ্ৰদ্ধা নিবেদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে ‘জুবিন গাৰ্গ দিৱস’ৰ আয়োজন কৰিছে। ইয়াৰ অংশহিচাপে চকলাঘাট ৰাস মন্দিৰ প্ৰেক্ষাগৃহত সেইদিনা চকলাঘাট ৰাস মন্দিৰ পৰিচালনা সমিতি, হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতি, ইয়ং ষ্টাৰ ক্লাৱ আৰু অঞ্চলবাসী ৰাইজৰ পূৰ্ণ সহযোগত মেল’ডি নাট্য গোষ্ঠীয়ে দিনযোৰা কাৰ্যক্ৰমণিকাৰে ‘জুবিন দিৱস’ৰ আয়োজন কৰিছে। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন, পুস্পাঞ্জলি অৰ্পণ, মাল্য প্ৰদান আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে দুপৰীয়া ঘোষা পৰিৱেশন, খোল-প্ৰসংগ আৰু নাম-কীৰ্তন অনুষ্ঠিত হ’ব। তদুপৰি সন্ধিয়া মেল’ডি নাট্য গোষ্ঠীৰ মহিলা শিল্পীসকলৰ দ্বাৰা বিশিষ্ট নাট্যশিল্পী ধ্ৰুৱজ্যোতি বৰাৰ ৰচনা আৰু পৰিচালনাৰে এখনি ব্যতিক্ৰমী ধৰ্ম মূলক নাট ‘চান্দ সদাগৰৰ ধৰ্ম পৰীক্ষা’ মঞ্চস্থ কৰা হ’ব। ইফালে, জিলাখনৰ বেবেজীয়াৰ সমীপৰ ডাকৰঘাটস্থিত জুবিন ক্ষেত্ৰত ১৯ ছেপ্টেম্বৰত ডাকৰঘাট জুবিন গাৰ্গ ফেন ক্লাৱৰ উদ্যোগত বিস্তৃত কাৰ্যসূচীৰে ‘জুবিন গাৰ্গ দিৱস’ৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি সেইদিনা বিয়লি বন্তি প্ৰজ্বলন, সৰ্বধৰ্মীয় শ্ৰদ্ধাঞ্জলি আৰু জুবিন ক্ষেত্ৰ চৌহদত ৰাইজৰ বন্তি প্ৰজ্বলন, সন্ধিয়া ইছলাম ধৰ্মাৱলম্বী লোকৰ দ্বাৰা দোৱা, শিখ ধৰ্মাৱলম্বী লোকৰ দ্বাৰা আৰদাস আৰু নিশা অঞ্চলৰ যুৱক-যুৱতী আৰু আইসকলৰ দ্বাৰা দিহানাম পৰিৱেশন কৰা হ’ব। ঠিক সেইদৰে জিলাখনৰ হাতীচোং মৌজাৰ অন্তৰ্গত কুজিদাঁহ, উলুবাৰী, বেজৰচুক যুৱক-যুৱতীসকলৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত হাতীচোং কুঁৱাপাৰত ১৯ ছেপ্টেম্বৰত ‘জুবিন দিৱস’ উদ্‌যাপিত হ’ব। কাৰ্যসূচী অনুসৰি উক্ত দিনা বিয়লি জুবিন গাৰ্গৰ গীত পৰিৱেশন, সন্ধিয়া বন্তি প্ৰজ্বলনৰ লগতে আমন্ত্ৰিত নামতি দল ডিমৰুগুৰিৰ শংকৰ-মাধৱ শিল্পী সমাজৰ দ্বাৰা নাম পৰিৱেশন আৰু ভোগ বিতৰণ কৰা হ’ব বুলি জানিব পৰা গৈছে।

# শুৱালকুছি এপেক্স বেংকৰ কাৰ্যালয় নৱীকৃত কাৰ্যালয় আৰু এ টি এম উদ্বোধন




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছতে অসমৰ জাতীয় জীৱনক উদ্বুদ্ধ কৰাৰ মানসেৰে ১৯৪৮ চনত স্থাপন কৰা হৈছিল অসম কোঃ অপাৰেটিভ এপেক্স বেংক লিমিটেড। উক্ত বেংকৰ শুৱালকুছি শাখাটো বছৰ বছৰ ধৰি আওপুৰণি ব্যৱস্থাৰে চলাই আছিল। সাম্প্ৰতিক তথ্য আৰু প্ৰযুক্তিৰ দ্ৰুত উন্নতিৰ সময়ত বেংকৰ গ্ৰাহকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ১৬ ছেপ্টেম্বৰত স্থানীয় বজাৰ চ’কত থকা বেংকৰ নৱীকৃত বাতানুকূল শাখাটো মুকলি কৰে। লগতে গ্ৰাহক ৰাইজৰ সহায়ক হোৱাকৈ এটা এ টি এমো মুকলি কৰে। তদুপলক্ষে শাখাত এখন গ্ৰাহক সভা অনুষ্ঠিত হয়। শ্ৰীশ্ৰী ঈশ্বৰ হাটী সত্ৰৰ বুঢ়া সত্ৰীয়া ৰাজীৱ লোচন সন্তই সভাপতিত্ব কৰা সজাগত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এপেক্স বেংক মুখ্য কাৰ্যালয়ৰ জেনেৰেল মেনেজাৰ মণিদ্বীপ শৰ্মাই কয় যে এপেক্স বেংক আপোন বেংক। এই বেংক অসমৰ জাতীয় সম্পদ। স্বাধীনতাৰ পিছতে জন্মলাভ কৰা বেংকটোৰ পৰা বিশেষকৈ সমবায় পদ্ধতিত কৃষকসকল অধিক লাভান্বিত হৈছে। সাম্প্ৰতিক সময়ত আধুনিক তথ্য প্ৰযুক্তিৰ দ্ৰুত উন্নয়ণে গ্ৰাহকসকলক সময় ৰাহি কৰিছে। এপেক্স বেংকো পিছ পৰি থকা নাই। বেংকৰ সকলো উপলব্ধ সা-সুবিধা ৰাইজে গ্ৰহণ কৰি অসমৰ জাতীয় সম্পদ এপেক্স বেংকৰ অধিক উন্নতি কৰাৰ আহ্বান জনায়। সভাত এপেক্স বেংকৰ ক্ৰমে সঞ্চালক মণ্ডলীৰ পৰিচালন সঞ্চালক কাৰ্তিক চন্দ্ৰ দাস, ডি জি এম মনময়ুৰী লহকৰ, বিষয়া সুমন ভূঞা অৱসৰী বেংক বিষয়া চত্ৰধৰ দাস আদিয়ে অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু শলাগৰ শৰাই আগবঢ়াই বেংকৰ শুৱালকুছি শাখাৰ পৰিচালক গজেন্দ্ৰ ভৰালীয়ে। সভাত ভালেমান গ্ৰাহক আৰু স্থানীয় নাগৰিক উপস্থিত থাকে।

## সময়ে গ্ৰাস কৰে

**ৰুমী কলিতা দত্ত**
ডিব্ৰুগড়

সময়ৰ সোঁতত হেৰাই যায় কত আশা
কত হাঁহি-কান্দোন, বুকুৰ গোপন ভাষা।
নীৰৱে পাৰ হয় পল-অনুপল
চিৰকাল থাকি যায় স্মৃতিৰ চকুলোৰ জল।
ধূলিৰে ধূসৰিত স্মৃতিৰ পৃষ্ঠাখন
ৰৈ যায় মাথোঁ অতীতৰ স্পন্দন।
সময়ে অজানিতে গ্ৰাস কৰে সকলো
যৌৱন, সংগ্ৰাম আৰু আশাৰ পোহৰো।
শৈশৱৰ ধূলামহ ধেমালিৰ বাকৰি
ক'লৈ গ'ল উৰি ধুনীয়া পখিলাটি?
বান্ধৱৰ কোলাহল, হাঁহিৰ মেল
সময়ৰ নিৰ্দয় হাতত সকলোবোৰ খেল।
সপোনৰ অট্টালিকা মোহাৰি পেলায়
কাৰোবাৰ সুখৰ সংসাৰ হয়গৈ ছাই।
অভিমানী বুকুত জমা হয় মৌনতা
সময়ৰ গ্ৰাসত বিলীন হয় বাৰ্তা।
কিন্তু সময়ে জানে কেৱল ভাঙিবলৈ
নহয়, সময়ে শিকায় পুনৰ গঢ়িবলৈ।
চকুলো মচি বুজায় জীৱনৰ অৰ্থ
কোনো সংগ্ৰাম কেতিয়াও নহয় ব্যৰ্থ।
ধূলিৰ বুকুত ফুটে নতুন ফুলৰ কলি
সময়ৰ গ্ৰাসত মানৱ সমাজ হৈছে বলি।
তথাপিতো জীৱনে ৰচে নতুনৰ গান
সময়ৰ গ্ৰাসে বুকুত দিবও নতুন প্ৰাণ।
হেৰাই যোৱা দিনবোৰ সময়ত বিলীন
থাকি যায় মাথোঁ জীৱনত অনাদি অসীম।

**ম'বাইল ঃ ৯৩৬৫৩-৭৫৩০৩**

## বুকুৰ বেথা

**মেৰী বৰদলৈ**
নগাঁও, ফুলগুৰি

ক'ত থওঁ
কি কৰোঁ
কাক কওঁ
বুকুৰ অযুত বেথা
মনৰ ভিতৰতে
আছে কলকলাই।

চুহি চুহি খাইছে
কলিজাটো এফালৰপৰা
নাজানো কিয়
শব্দবোৰচোন আজি
আছেহি দুটি ওঁঠত
ভুনভুনাই।

মুখা পিন্ধা
মুখবোৰ আৰু কিমান চাবা
ক'লৈকে জানো
বুজি পাব
বুকুৰ বেথা
শলাগ সকলোৱে ল'ব
পিছে আন্ধাৰৰ
সুযোগলৈ
সিহঁতেই উপলুঙা কৰিব
কিৰিলিয়াই।

## চিত্ৰপট

**সংগীতা ডেকা,** ৰঙিয়া

খুব ওচৰৰ পৰা দেখিছোঁ মই
পোহৰৰ চোলা পিন্ধা
ঘিতমিত এন্ধাৰবোৰ..
খুব ওচৰৰ পৰা দেখিছোঁ মই
পোহৰৰ থালত সজোৱা
এন্ধেৰুৱা ফুলবোৰ..
এৰা, মুখাৰৰণে তিক্ততাক
ঢাকিব নোৱাৰে।

**ম'বাইল ঃ ৯১০১০-১১৮৬৫**

## কৃতঘ্ন

**দীপিকা ফুকন**
চুঙাজান, গোলাঘাট

প্ৰয়োজনত তুমি সাতবাৰ চালাম কৰা
দুৱাৰত আঁঠুলৈ ভিক্ষাৰী হোৱা
মুখত তোমাৰ মধুৰ বাণী
ভৰি চুই কৈ দিয়া
'তুমি নহ'লে মোৰ দিনতে আন্ধাৰ'
তোমাক মই নদী দিলোঁ
তুমি মোক বালি দিলা।

মই তোমাক ছাঁ দিলোঁ
তুমি মোক কুঠাৰ মাৰিব খুজিলা।
মই বিশ্বাস কৰিলোঁ,
মই তোমাক বুকুৰ তেজ দিলোঁ,
তোমাৰ স্বাৰ্থৰ বাবে
নিজৰ স্বাৰ্থক জলাঞ্জলি দিলোঁ।

আৰু আজি?
স্বাৰ্থ পূৰণ হ'ল,
মুখা খহি পৰিল।
তুমি নিজকে ভাবা উঠিৰজা-বহিৰজা,
মই তোমাৰ বাটৰ কাঁইট।
যি হাতেৰে তোমাক তুলি ধৰিছিলোঁ,
সেই হাততে তুমি কামুৰিলা,
পানধোৱাত খুৱাইছিলোঁ তোমাক,
সেই থালতে তুমি থুৱাই দিলা।
শুনা হে নিৰ্লজ্জ,
তুমি ভাবিছা তুমি জিকিলা-
নাই, তুমি হাৰিলা।
তুমি এজন মানুহ হেৰুৱালা,
মই এটা বোজাৰ পৰা মুক্ত হ'লোঁ।

তোমাৰ দৰে কৃতঘ্নক
কোনেও কেতিয়াও ক্ষমা নকৰে,
মানুহে মনত নাৰাখে,
কুকুৰেও ঘূৰি নাচায়।

## ভাওনা

**বনজিত দাস**
ৰিহাবাৰী, বজালী

টোপনি গ'লেই টোপনি অহা নুবুজায়
চকু জপালেই নিশা নাহে
কেতিয়াবা টোপনিৰ নিস্তব্ধতাৰ বুকুত
হাজাৰ শব্দই
উজাগৰে কথা কয়।
মনটো শুই পৰিলেও
স্মৃতিবোৰৰ টোপনি নেযায়
অদৃশ্য কোলাহলত
এজন মানুহে
নিজৰ সৈতে নিজেই
গোটেই ৰাতি কথা পাতে।

টোপনিৰ ভাও জুৰিলে
টোপনি অহা নুবুজায়
চকু জপালেই
সপোন দুৱাৰ নোখোলে।
কানত সত্যৰ মাত
তথাপিও নুশুনাৰ ভাও
জগাবলৈ লাগে
সময়ৰ প্ৰচণ্ড আঘাত।
টোপনিৰ ভাও জোৰা মানুহক
জগাবলৈ মহা মস্কিল।

## ভালপোৱা

**হেৰম্ব নাথ**

প্ৰতিশ্ৰুতিৰ কঙ্কণ পিন্ধি
তোমাৰ ওচৰলৈ গৈছোঁ
পৰাণত এমুঠি আশা
বুকুৰ কাষলৈ আহিবা
মৰম দিবা
চকুত চকু থৈ....।

**ম'বাইল ঃ ৭০০২৭-৯৭৫৪০**

## অগ্নি প্ৰণাম

**■ প্ৰয়াগ শইকীয়া**

অগ্নি ডাঙৰ হোৱাৰ শুনানি
আকাশলৈ উঠি যায় মেজিৰ অগনি

উত্তাপ ভৰা সময়

উঁহাৰ ছন্দত হিম চেঁচা সময়ৰ লয়

পানী মৰে পিয়াহত
অগ্নি মৰে জাৰত
আজানৰ জিকিৰেৰে হয় বোধোদয়

ভাষাৰ ডোলতে জীৱনৰ জয়
মৌসনা আইৰ মিঠা মাতে কয়

তেজৰে কমলাপতি

মন ভোগালীৰ
চাওঁ সূৰ্যোদয়

## জোনাকৰ গধূলি

**প্ৰভাত বণিয়া**

ফৰিং ফুটা জোনাকৰ গধূলি ঢাৰি পাৰি চোতালত আইতাৰ
সাধু শুনা দিনবোৰ কেনি হেৰাল
সহজ সৰল মোহনীয় সোণালী সুদিন আজি অতীত হ'ল
শৈশৱৰ স্মৃতিয়ে বুকুখন গধুৰ কৰি তুলিছে
বিচাৰি নাপাওঁ আই বোপাইৰ স্নেহ আবদাৰ,
কণ ভাইটী-ভন্টীহঁতৰ মৌ বৰষা মাত
সৰগৰ অমৃত সুধা
সময়ৰ বুকুত বিলীন হ'ল।
প্ৰাণপ্ৰাচুৰ্য্যৰ দিন, হাঁহি ভৰা আবেলি জোন গলা আকাশ
পথাৰ শুৱনি ধাননি মনোমোহা আমাৰ গাঁওখনি
পানী ভৰা একাবেকা নদীখন
হৰি নামৰে মুখৰিত গাঁৱৰ গোঁসাই ঘৰ
মাটিৰ চাকি-বন্তিৰে সুশোভিত নঙলা মুখ
সপোন সপোন লগা হ'ল সোণালী সুদিন
কিনো দিন পৰিল আজি
মৰহি গ'ল
গাঁৱৰ সুমধুৰ ঐতিহ্য বৈভৱ।

*১৯ চেপ্তেম্বৰত জুবিন দিৱস উপলক্ষে*

## মই আকৌ আহিম সমন্বয়ৰ সাঁকো গঢ়িবলৈ

**ৰমেন ভৰালী,** বংশৰ

এদিন মই আকৌ আহিম
এটি গান হৈ,
এটি সুৰ হৈ...

যিবোৰ 'হাতে' মোক হত্যা কৰিলে
সেই হাতবোৰৰ বিৰুদ্ধে
এটা প্ৰতিবাদী সত্তা হৈ
এদিন মই আকৌ আহিম।

যি সকলে মোক
শান্তিত থাকিবলৈ নিদিলে
সেই সকলৰ মাজতে
শান্তিৰ বাণী বিলাবলৈ
এদিন মই আকৌ আহিম।

এদিন মই আকৌ আহিম
উজ্বল নক্ষত্ৰ হৈ
এন্ধাৰত পোহৰ বিলাবলৈ।
ঘেণ্টা, মই কাকো খাতিৰ নকৰোঁ'
বুলি চিঞৰি
সংস্কৃতিৰ নামত বেপাৰ কৰা
সেই মুখাবোৰৰ বিৰুদ্ধে
এটা প্ৰতিবাদী কণ্ঠ হৈ
এদিন মই আকৌ আহিম।

এদিন মই আকৌ আহিম
ৰাইজৰ শিল্পী হৈ
ভঙা হৃদয়বোৰৰ মাজত
সমন্বয়ৰ সাঁকো গঢ়িবলৈ।

য'ত নাথাকিব
হিন্দু-মুছলমানৰ ভেদাভেদ
য'ত নাথাকিব
জাত-পাতৰ দেৱাল
তেনে এখন পৃথিৱীত
ঐক্য আৰু শান্তিৰ বাণী লৈ

এদিন মই আকৌ আহিম...

হয়, এদিন মই আকৌ আহিম
সমন্বয়ৰ সাঁকো গঢ়িবলৈ।

# কলবাৰীত ফুটবল ৰেফাৰী বিস্তি বসুমতাৰীৰ অকাল বিয়োগ

### ফাইনেল খেল পৰিচালনা কৰি থাকোঁতেই উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ মৃত্যু



**প্ৰসন্ন নাথ, বৰপেটাৰোড ঃ** বাক্সাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত কলবাৰী গাঁৱৰ বাসিন্দা তথা অসম ফুটবল সন্থাৰ স্বীকৃতিপ্ৰাপ্ত ফুটবল ৰেফাৰী, বিশিষ্ট ক্ৰীড়া সংগঠক বিস্তি বসুমতাৰী (৪২)ৰ বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। উল্লেখ্য যে- বিস্তি বসুমতাৰীয়ে কলবাৰীৰ জাৰা ফাগলা খেল পথাৰত কলবাৰী বড়োলেণ্ড স্পোৰ্টছ ক্লাবৰ উদ্যোগত চলি থকা ফুটবল টুৰ্ণামেণ্টৰ কালি বিয়লি অনুষ্ঠিত ফাইনেল খেলত চতুৰ্থ ৰেফাৰীৰূপে খেল পৰিচালনা কৰি থকা অৱস্থাতেই তেওঁ উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হয়। লগে লগে বিস্তি বসুমতাৰীক স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰে যদিও পৰৱৰ্তী সময়ত সন্ধিয়াৰ ভাগত বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পাতালত ভৰ্তি কৰোৱা হয়। দিনৰ ৯ বজাত বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পাতালত চিকিৎসাধীন অৱস্থাতেই বিস্তি বসুমতাৰীৰ মৃত্যু হয়।বিষ্টি বসুমতাৰী এগৰাকী ফুটবল খেলুৱৈ, ক্ৰীড়া সংগঠক, অসম ফুটবল সন্থাৰ স্বীকৃতিপ্ৰাপ্ত ফুটবল ৰেফাৰীৰ লগতে সম্প্ৰতি শালবাৰী জিলা ক্ৰীড়া সন্থাৰ এথলেটিক্স বিভাগৰ সম্পাদক পদত অধিষ্ঠিত আছিল। মৃত্যুৰ সময়ত মাতৃ, পত্নী, দুগৰাকী কন্যা সন্তানকে ধৰি অগণন গুণমুগ্ধক ইহ সংসাৰত এৰি থৈ যোৱা বিস্তি বসুমতাৰীৰ অকাল মৃত্যুত শালবাৰী জিলা ক্ৰীড়া সন্থাৰ সভাপতি কান্তেশ্বৰ বসুমতাৰী, সাধাৰণ সম্পাদক দাওহাৰু বসুমতাৰী, কলবাৰী বড়োলেণ্ড স্পোৰ্টছ ক্লাৱ, মানাহ প্ৰেছ ক্লাবৰ লগতে বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সপোন তথা কল্পিত বৰ অসমৰ

‘বৰ অসম’ৰ ভাবনাক সংযোগ কৰিব পাৰি। তেওঁৰ নেতৃত্বত অসম চৰকাৰে আন্তঃগাঁথনি উন্নয়ন, বিনিয়োগ আকৰ্ষণ, উদ্যোগ, কৰ্মসংস্থাপন, শিক্ষা, নাৰী সৱলীকৰণ আৰু সামাজিক কল্যাণক একেলগে আগুৱাই নিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ‘Advantage Assam 2.0’ৰ জৰিয়তে উদ্যোগ, বিনিয়োগ, তথ্য-প্ৰযুক্তি, পৰ্যটন, খাদ্য-প্ৰক্ৰিয়াকৰণ, ছেমিকণ্ডাক্টৰ, নবীকৰণযোগ্য শক্তি আৰু অন্যান্য ক্ষেত্ৰত অসমক নতুন বিনিয়োগৰ গন্তব্য হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰা হৈছে। ড° শৰ্মাৰ কাৰ্যপন্থাৰ অন্যতম উল্লেখযোগ্য দিশ হৈছে আন্তঃগাঁথনি নিৰ্মাণ আৰু যোগাযোগ ব্যৱস্থাৰ বিস্তাৰ। পথ, দলং, ৰে’ল, বিমান আৰু জলপথৰ উন্নয়নৰ জৰিয়তে অসমক উত্তৰ-পূৰ্বাঞ্চলৰ লগতে দক্ষিণ-পূব এছিয়াৰ সৈতে অধিক শক্তিশালীভাৱে সংযোগ কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। এই যোগাযোগ ব্যৱস্থাই কেৱল যাতায়াত সহজ নকৰে, ই বাণিজ্য, পৰ্যটন, উদ্যোগ আৰু কৰ্মসংস্থাপনৰ নতুন দুৱাৰ মুকলি কৰিব পাৰে। যুৱ অসমক শক্তিশালী কৰাটোও ‘বৰ অসম’ৰ অন্যতম ভেটি। চাকৰিৰ সন্ধানত অসমৰ যুৱক-যুৱতীয়ে যাতে কেৱল বহিঃৰাজ্যলৈ যাবলগীয়া নহয়, তাৰ বাবে দক্ষতা বিকাশ, উদ্যোগ আৰু নতুন কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাটো গুৰুত্বপূৰ্ণ। জাপানৰ সৈতে দক্ষতা বিকাশ আৰু ভাষা প্ৰশিক্ষণৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপো এই বৃহত্তৰ কৰ্মসংস্থাপনমুখী চিন্তাৰ এক উদাহৰণ। শিক্ষা আৰু নাৰী সৱলীকৰণৰ ক্ষেত্ৰতো বিভিন্ন আঁচনিৰ জৰিয়তে চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। ‘নিযুত মইনা’, ‘অৰুণোদয়’ আৰু মহিলা উদ্যোগিতাৰ দৰে পদক্ষেপসমূহৰ লক্ষ্য হৈছে শিক্ষা, সামাজিক সুৰক্ষা আৰু অৰ্থনৈতিক অংশগ্ৰহণৰ সুযোগ বৃদ্ধি কৰা।

কিন্তু ‘বৰ অসম’ কেৱল বৃহৎ প্ৰকল্পৰ সমষ্টি নহয়। এখন সঁচা বৰ অসম হ’ব সেইখন, য’ত গাঁৱৰ কৃষকৰ জীৱনো উন্নত হয়, বানাক্ৰান্ত পৰিয়ালে পুনৰ মূৰ তুলি থিয় হ’ব পাৰে, চাহ-বাগিচাৰ শ্ৰমিকৰ জীৱনমান উন্নত হয়, পাহাৰ-ভৈয়ামৰ প্ৰতিজন যুৱকে সম্ভাৱনাৰ সুযোগ লাভ কৰে আৰু অসমৰ বৈচিত্ৰ্যময় জনগোষ্ঠীসমূহে নিজৰ ভাষা, সংস্কৃতি আৰু পৰিচয়ৰ মৰ্যাদা অক্ষুণ্ণ ৰাখি একেলগে আগুৱাই যাব পাৰে।

সেয়েহে ড° হিমন্ত বিশ্ব শৰ্মাৰ ‘বৰ অসম’ৰ সপোনক কেৱল চৰকাৰী উন্নয়নৰ পৰিকল্পনা হিচাপে নহয়, অসমৰ সামগ্ৰিক ৰূপান্তৰৰ এক বৃহৎ লক্ষ্য হিচাপেও চাব পাৰি। অৱশ্যে এই সপোন বাস্তৱায়িত কৰিবলৈ চৰকাৰী উদ্যোগৰ লগতে স্বচ্ছতা, জনঅংশগ্ৰহণ, সামাজিক সম্প্ৰীতি, পৰিৱেশ সংৰক্ষণ আৰু নাগৰিকৰ দায়িত্ব সমানেই প্ৰয়োজনীয়।

বৰ অসম মানে কেৱল ডাঙৰ পথ, ডাঙৰ দলং আৰু ডাঙৰ অট্টালিকা নহয়, বৰ অসম মানে ডাঙৰ চিন্তা, শক্তিশালী অৰ্থনীতি, উন্নত শিক্ষা, সুৰক্ষিত সমাজ আৰু প্ৰতিজন মানুহৰ জীৱনত মৰ্যাদাপূৰ্ণ সম্ভাৱনা।

ব্ৰহ্মপুত্ৰৰ সোঁতৰ দৰে সময় আগুৱাই গৈছে। সেই সোঁতৰ সৈতে খোজ মিলাই ঐতিহ্যক বুকুত ধৰি আধুনিকতাৰ দিশে আগুৱাই যোৱা অসমেই হ’ব পাৰে ড° হিমন্ত বিশ্ব শৰ্মাৰ কল্পিত ‘বৰ অসম’-য’ত উন্নয়নৰ পোহৰ মহানগৰৰ পৰা গাঁৱৰ পদূলিলৈ, পাহাৰৰ পৰা ভৈয়ামলৈ আৰু প্ৰতিজন অসমীয়াৰ সপোনৰ দুৱাৰলৈকে বিস্তাৰিত হয়।

ব্ৰহ্মপুত্ৰৰ সোঁতৰ দৰে আগুৱাই যাওক অসমৰ সপোন,
ড° হিমন্ত বিশ্ব শৰ্মাৰ সংকল্পত গঢ় লওক এখন সমৃদ্ধ ‘বৰ অসম’।দ্ৰ

**ম’বাইল ঃ** ৮০৯৯৭-৮৭৭৪৭

## সমাজসেৱক পুনিৰাম শইকীয়া আৰু মুকুল চন্দ্ৰ বৰাক

নিষ্ঠা, সহিষ্ণুতা আৰু জীৱনজোৰা সাধনাৰে শিক্ষা, সাহিত্য, সংস্কৃতি, সংবাদসেৱা, সমাজসেৱা, মানৱসেৱা, ক্ৰীড়া আৰু প্ৰশাসনিক ক্ষেত্ৰলৈ বিশেষ সেৱা আগবঢ়োৱা প্ৰতিভাৱান ব্যক্তিসকললৈ ৰাজ্যৰ সন্মানজনক ‘আৰোহণ বঁটা’ প্ৰদান কৰি আহিছে। এইবাৰৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি ‘আৰোহণ-জ্যোতি’ আলোচনী আৰু এহেজাৰ প্ৰতিভাৱান ব্যক্তিৰ চমু পৰিচয় সম্বলিত ‘আৰোহণ প্ৰতিভাকোষ’ গ্ৰন্থও উন্মোচন কৰা হয়। অসমৰ সমাজ জগতত কৰি অহা নিৰলস সেৱাৰ ওপৰত ভিত্তি কৰি দুয়োগৰাকী ব্যক্তিক যুটীয়াভাৱে আৰোহণ সমাজ সেৱা বঁটা-২০২৫-২৬’ প্ৰদান কৰা হয়। ‘সময় পাপৰি’, ‘সেন্দূৰ’, ‘প্ৰভাতী’কে ধৰি কেইবাখনো কাব্যগ্ৰন্থৰ ৰচয়িতা পুনিৰাম শইকীয়া নগাঁৱৰ সমাজ জীৱনৰ এক প্ৰতিবাদী কণ্ঠ। ভাষা আন্দোলন, খাদ্য আন্দোলন, মধ্য অসমত ৰাজধানী পাতিবৰ বাবে হোৱা আন্দোলনৰ পৰা আৰম্ভ কৰি ৰহাত প্ৰস্তাৱিত এইমছ স্থানান্তৰৰ প্ৰতিবাদত প্ৰায় এসপ্তাহ অনশন কৰি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত কৰা আন্দোলনলৈকে প্ৰতিটো গণতান্ত্ৰিক আন্দোলনত তেওঁ সক্ৰিয় ভূমিকা লৈ আহিছে। ২০০২ চনতে অৱসৰ গ্ৰহণ কৰা বিশিষ্ট কবিগৰাকীয়ে কাব্যচৰ্চাৰ সমান্তৰালকৈ দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে সদায় মাত মাতি আহিছে। ৰেচম বিভাগৰ নগাঁও জিলাৰ পামবোৰৰ অৱক্ষয় ৰোধৰ বাবে তেওঁ মুখ্যমন্ত্ৰী-প্ৰধানমন্ত্ৰীলৈও ব্যক্তিগতভাৱে পত্ৰ প্ৰেৰণ কৰিছিল। বিজ্ঞানমনস্কতাৰ পৰিচয় দি দেহদানৰ অংগীকাৰ কৰা আৰু প্ৰতিটো ৰাজহুৱা অনুষ্ঠানত গছপুলি ৰোপণেৰে ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰি অহা এই নীৰৱ প্ৰকৃতিপ্ৰেমীগৰাকীলৈ এতিয়ালৈকে কোনো ডাঙৰ বঁটা বাহনে ঢুকি পোৱা নাছিল। আনহাতে মুকুল চন্দ্ৰ বৰাই অৱসৰৰ পাছত নগাঁও বঢ়মপুৰ সমষ্টিৰ ভিত্তিত এক অৱসৰপ্ৰাপ্ত নাগৰিক মঞ্চ গঠন কৰি অৱসৰপ্ৰাপ্ত বিষয়া কৰ্মচাৰীসকলৰ হিতাৰ্থে সামাজিক দায়বদ্ধতাৰে নিৰন্তৰ কাম কৰি আহিছে। অল ইণ্ডিয়া অক্স বি চি সংঘৰ সভাপতি হিচাপে কাম কৰি থকা বৰাই শংকৰী কৃষ্টি বিকাশ কেন্দ্ৰৰ সক্ৰিয় কৰ্মী হিচাপে সমাজসেৱা আগবঢ়ায় আছে। অৱসৰৰ পাছত নিৰন্তৰ সমাজৰ হকে কাম কৰি থকা উদ্যমী বৰ্ষীয়ান দুয়োগৰাকী ব্যক্তিক আৰোহণ সমাজ সেৱা বঁটাৰে সন্মানিত কৰাত এয়া এক মহৎ প্ৰাপ্তি বুলি বৌদ্ধিক মহলে অভিহিত কৰিছে।

## উপ-নিৰ্বাচনত বিজেপি জয়ী হ’লে ’৩১ ৰ বিধানসভা

যে নগাঁও লোকসভা সমষ্টিৰ বিজেপিৰ পৰম্পৰাগত সমষ্টি নহয় আৰু উপ-নিৰ্বাচনত যদি কেনেবাকৈ বিজেপি প্ৰাৰ্থীগৰাকী বিজয়ী হয়, তেন্তে ২০৩১ চনৰ অসম বিধানসভা নিৰ্বাচনত আমি ৰাজ্যৰ ১২৬ টা সমষ্টিয়েই দখল কৰিবলৈ সক্ষম হ’ম। কিয়নো সমষ্টিটোত আমাৰ বিধায়ক নথকা সমষ্টিকেইটাতো এতিয়া বিজেপিত বহুতেই যোগদান কৰিছে। বিজেপিৰ প্ৰতি জনসাধাৰণৰ সমৰ্থনৰ এক পৰিৱেশ দিনকদিনে গঢ় লৈ উঠিছে। আনহাতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু এ আই ইউ ডি এফৰ বদৰুদ্দিন আহমল প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- আমি এতিয়া বিৰোধীৰ ৰাজনৈতিক বাদ-বিতৰ্কত মূৰ ঘমাই লাভ নাই। বিশেষকৈ মই এইবোৰত আগ্ৰহ প্ৰকাশ নকৰো। কাৰণ আমাৰ এতিয়া লক্ষ্য হ’ল বিজেপি-এ জি পি আৰু বি পি এফ।

পাঁচ পৃষ্ঠাৰ পৰা

## মুকালমুৱাত জুবিন গাৰ্গ ফুটবল একাডেমীৰ নতুন আৱাসগৃহ

একাডেমী। একাডেমীখনৰ জৰিয়তে ভৱিষ্যতে বহু প্ৰতিভাৱান খেলুৱৈ সৃষ্টি হ’ব বুলি আশা প্ৰকাশ কৰে আয়োজকসকলে। জুবিন গাৰ্গৰ নামত মুকালমুৱাত ফুটবল একাডেমী স্থাপন কৰি নৱপ্ৰজন্মক ক্ৰীড়াৰ সৈতে জড়িত কৰাৰ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি তথা বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাক কৃতজ্ঞতা জ্ঞাপন কৰে গৰীমা শইকীয়া গাৰ্গে। গৰিমা শইকীয়া গাৰ্গে কয় যে আমি জুবিন যুগৰ মানুহ, আমি জেনেৰেশন জুবিন গতিকে আমি জেন জি। জুবিনৰ ফুটবলক লৈ বহুত সপোন আছিল, তেওঁ ফুটবল একাডেমী খোলাৰ সপোন আছিল। আজি তেওঁৰ নামত ফুটবল একাডেমী হৈছে ইয়াতকৈ সুখৰ কথা কি হ’ব পাৰে। জুবিনৰ যি সপোন আছিল ফুটবল একাডেমী খোলাৰ সেইটো আজি বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাই ইতিমধ্যে সম্পূৰ্ণ কৰিছে, গতিকে মই দাদাক কৃতজ্ঞতা জ্ঞাপন কৰিছো। একাডেমীৰ নতুন আৱাসগৃহ নিৰ্মাণ হ’ল, গতিকে ইয়াৰ পৰা প্ৰতি বছৰে ভাল ভাল খেলুৱৈ নিশ্চয় ওলাই যাব আৰু তেওঁলোকে অসমৰ লগতে ভাৰতৰ নাম উজ্বলাই তুলিব। জুবিন গাৰ্গ ১১ যেনেকৈ খেলৰ জৰিয়তে সমাজৰ হিতৰ কাৰণে যেনেকৈ কাম কৰি আছে, এই একাডেমীও ভাল ভাল কাম কৰক তাৰে কামনা কৰিছোঁ। ইফালে, অহা ১৫ ছেপ্টেম্বৰৰ পৰা ইউটিউবত ‘ৰৈ ৰৈ বিনালে’ ছবিখন বিনামূলীয়াকৈ প্ৰদৰ্শন কৰা সন্দৰ্ভতো গুৰুত্বপূৰ্ণ মন্তব্য কৰে গৰিমা শইকীয়া গাৰ্গে। তেওঁ কয় যে ‘ৰৈ ৰৈ বিনালে’ ছবিখনৰ সৈতে জুবিন গাৰ্গৰ গভীৰ আৱেগ জড়িত হৈ আছে। সেয়েহে ছবিখন অধিকসংখ্যক ৰাইজে যাতে বিনামূলীয়াকৈ উপভোগ কৰিব পাৰে, সেই উদ্দেশ্যে ইউটিউবত ছবিখন বিনামূলীয়াকৈ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

# ‘মহাযুদ্ধৰ খলনায়িকা’ৰ মোহত বন্দী নাট্যপ্ৰেমী দৰ্শক




**মৃদস্মিতা শৰ্মা ঃ** চলিত বৰ্ষৰ নাট্যযাত্ৰাৰ আৰম্ভণিৰ পৰাই প্ৰতিটো পেণ্ডেলত জনপ্ৰিয়তাৰ ভেটি সুদৃঢ় কৰিবলৈ সক্ষম হোৱা নাটক হৈছে ‘মহাযুদ্ধৰ খলনায়িকা’। এটা মিঠা প্ৰেম কাহিনীক লৈ নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যই ৰচনা কৰা নাটখনে এইবেলি ভিন্ন প্ৰান্তত ৰাজমুকুট থিয়েটাৰলৈ আনিছে অগণন দৰ্শকৰ জোৱাৰ। নাট্যপ্ৰেমীয়ে বিচৰা এটা উৎকৃষ্ট কাহিনী, গীত-নৃত্য, এক্সনৰ উপৰি সকলো ধৰণৰ নাটকীয় উপাদানৰ সমল সংযোজিত এই নাটখন চাবলৈ দৰ্শকৰ যি উৎকণ্ঠা সেয়া সচাঁকৈয়ে ভ্ৰাম্যমাণৰ বাবে এক বৃহৎ সাফল্য। ইতিমধ্যে নামনি অসমৰ পাঠশালা, নলবাৰী, কামৰূপ, বৰপেটা আৰু বঙাইগাঁও জিলাৰ ভিন্ন প্ৰান্তত নাটখনে দৰ্শকৰ পৰা লাভ কৰিছে ভূয়সী প্ৰশংসা। প্ৰতিগৰাকী শিল্পীৰ সুন্দৰ অভিনয়, গীত-সংগীতৰ উপৰিও নান্দনিক আলোকসজ্জাৰে এতিয়া প্ৰতিটো পেণ্ডেলতেই অদ্বিতীয় ৰূপত উজ্বলিছে ‘মহাযুদ্ধৰ খলনায়িকা’। নাটখনত জনপ্ৰিয় অভিনেত্ৰীদ্বয় মুনমী ফুকন শ্যামন্তিকা সঞ্জীৱ শৰ্মা আৰু জেফ্ৰি বক্সীয়ে মুখ্য ভূমিকা গ্ৰহণ কৰাৰ লগতে মঞ্চৰ দুগৰাকী বলিষ্ঠ অভিনেতা গুণেন শৰ্মা- হিমাংশু গগৈৰ উপৰি সুদৰ্শন নায়ক গুঞ্জন চৌধুৰী, কৌতুক অভিনেতা পৰাগ শৰ্মা, বিপ্লৱ বৰদলৈ, পুষ্পাঞ্জলি পাঠক আৰু দ্বীপজ্যোতিৰ অভিনয়ে বাৰুকৈয়ে মোহিত কৰিছে নাট্যপ্ৰেমী ৰাইজক। ‘মহাযুদ্ধৰ খলনায়িকা’ৰ বিপৰীতে দৰ্শকে অসাধাৰণভাৱে এইবেলি ৰাজমুকুটৰ মঞ্চত আদৰিছে ‘মনালিছাৰ চিৎকাৰ’ নাটখন। যিখন নাটকৰ কাহিনী, সংলাপ আৰু অভিনয়ৰ চমকৰ বাবেই প্ৰতিটো পেণ্ডেলত নাট্যদলটোৱে প্ৰথম নিশাতেই দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। চলিত বৰ্ষত ৰাজমুকুট থিয়েটাৰে মঞ্চস্থ কৰা আন এখন নাটক হৈছে নাট্যকাৰ পল্লৱ পৱন বৰাৰ ‘মালিক’। প্ৰতিখন নাটককে অতি সুন্দৰভাৱে পৰিচালনা কৰি দৰ্শকক আমোদ প্ৰদান কৰিছে বিশিষ্ট চলচ্চিত্ৰ পৰিচালক ৰাজেশ ভূএগুই।

# কেৰিয়াৰ পইণ্ট কম্পিউটাৰ এডুকেশ্যনৰ ৩য় বাৰ্ষিকী দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** কেৰিয়াৰ পইণ্ট কম্পিউটাৰ এডুকেশ্যনৰ ৩য় বাৰ্ষিকী উপলক্ষে নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এক বৰ্ণাঢ্য বাৰ্ষিকী উদ্‌যাপন, চাৰ্টিফিকেট বিতৰণ আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰী গৌৰৱ আগমাচাৰ্য্যই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অসমৰ প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা উপস্থিত থাকে। বিশিষ্ট অতিথি হিচাপে খাগৰিজান মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ওমে ছালমা, সমাজকৰ্মী শ্ৰী ৰাজা পাৰিককে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। লগতে বাণিজ্য বিভাগৰ অধ্যাপক ধনেশ শৰ্মায়ো অনুষ্ঠানত যোগদান কৰে। জাগৃতি কলিতাই আঁত ধৰা অনুষ্ঠানটো পৰাঞ্জিতা দেৱী আৰু ৰিমি দাসৰ পৰিচালনাত সুশৃংখলভাৱে সম্পন্ন হয়। কাশ্মিতা শৰ্মা, ফাৰিদ খান, ইন্দ্ৰকল্প, শিবানী, আফচানা আদি ছাত্ৰ-ছাত্ৰীসকলেও অনুষ্ঠানৰ সফলতাত বিশেষ সহযোগিতা আগবঢ়ায়। অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক সন্মান পত্ৰ প্ৰদান কৰাৰ লগতে বিভিন্ন কম্পিউটাৰ পাঠ্যক্ৰম সফলতাৰে সম্পূৰ্ণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চাৰ্টিফিকেট বিতৰণ কৰা হয়। ৩য় বাৰ্ষিকী উপলক্ষে বিশেষ কেক কাটিং অনুষ্ঠানৰ লগতে বেষ্ট ফেকাল্টি এৱাৰ্দ ফাৰিয়া সুলতানা, ডেডিকেটেড ফেকাল্টি এৱাড্ বীৰেন্দ্ৰ কৌৰ আৰু বেষ্ট ষ্টোডেণ্ট এৱাড্ ৰাজ মণ্ডলক প্ৰদান কৰা হয়। ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলৰ গীত, নৃত্য আদিৰে এক মনোমোহা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। সাংস্কৃতিক সন্ধিয়াটোৰ বিশেষ আকৰ্ষণ আছিল বিশিষ্ট কণ্ঠশিল্পী মিজ্জু মিৰ্জানূৰ আৰু তন্ময় শইকীয়া, যিসকলে সুমধুৰ গীতেৰে অনুষ্ঠানটোক বিশেষ মাত্ৰা প্ৰদান কৰে। উল্লেখ্য যে- গৌৰৱ আগামাচাৰ্য্যই জানিবলৈ দিয়া মতে আগন্তুক সময়ত নগাঁও বিশ্ববিদ্যালয়ৰ সমীপত দ্বিতীয় শাখা আৰম্ভ কৰাৰ উপলক্ষে চলিত মাহজুৰি বিনামূলীয়া নামভৰ্তিৰ বিশেষ সুবিধা আগবঢ়োৱা হৈছে। বৰ্তমান আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে নগাঁও গাৰ্লছ কলেজৰ সমীপত অৱস্থিত মূল শাখাত নামভৰ্তি কৰিব পাৰিব। আৰু নতুন শাখা আৰম্ভ হোৱাৰ পিছত বিশ্ববিদ্যালয়ৰ সমীপৰ শাখাত ক্লাছ কৰাৰ সুবিধা লাভ কৰিব। তদুপৰি বিগত তিনিটা বছৰত কেৰিয়াৰ পইণ্ট কম্পিউটাৰ এডুকেশ্যনে কম্পিউটাৰ আৰু দক্ষতাভিত্তিক শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক উন্নত শিক্ষাৰ সুযোগ প্ৰদান কৰি আহিছে বুলি কৈ সমগ্ৰ নগাঁওবাসী ৰাইজলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে।

# আমি সময়তকৈ সদায় এখোজ আগবাঢ়ি থাকিব লাগে ঃ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী

## ওদালগুৰিত অসম সাহিত্য সভাৰ ষষ্ঠ পূৰ্ণাংগ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সম্পন্ন

**ৰমেন ভৰালী, বংশৰ ঃ** অসম সাহিত্য সভাৰ ২০২৫-২৭ কাৰ্যবৰ্ষৰ ষষ্ঠ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অধিবেশনখন যোৱা ১৩ ছেপ্টেম্বৰত ওদালগুৰি জিলাৰ বিষ্ণুৰাভা কৃষ্টি সংঘৰ প্ৰাঙ্গণত মঙ্গলচণ্ডী ব্ৰহ্ম ভাষা শিক্ষা গৱেষণা প্ৰতিষ্ঠান আৰু ওদালগুৰি জিলা সাহিত্য সভাৰ যৌথ উদ্যোগত, ওদালগুৰি সাহিত্য সভাৰ আতিথ্য ওদালগুৰি গোৰ্খা প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। আৰম্ভণিতে ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা অহা কেইবাশতাধিক প্ৰতিনিধিক সম্বোধি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে কয়-‘অসমীয়া ভাষা সংস্কৃতিৰ উত্তৰণৰ বাবে অসম সাহিত্য সভাই সঠিক দিশত সৱলভাৱে কাম কৰি আছে। এইক্ষেত্ৰত অসম সাহিত্য সভা জাকৰ পাছপৰা চৰাই হৈ নাথাকে। সকলোৰে আগত থাকি কাম কৰি যাব অসম সাহিত্য সভাই। বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ অমৰ গীতসমূহ অৰ্থাৎ ভূপেন্দ্ৰ সংগীতৰ ইংৰাজী, হিন্দী, বাংলা আদি ভাষাত ৰূপান্তৰ কৰি কোনেও নকৰা এটা ডাঙৰ কাম কৰিলে অসম সাহিত্য সভাই। আনহাতে ভাৰতৰ ৯টা বহুল প্ৰচাৰিত ভাষালৈ ভূপেন্দ্ৰ সংগীতৰ ৰূপান্তৰকৰণৰ কাম চলি আছে। অহা নৱেম্বৰ মাহৰ ভিতৰত জুবিন গাৰ্গৰ ১০০ টা গীতৰ ইংৰাজী অনুবাদো অসম সাহিত্য সভাই প্ৰকাশ কৰিব।’ সভাৰ প্ৰাক্কাল ভাষণত ড° গোস্বামীয়ে লগতে আৰু কয় -‘মাধৱ কন্দলিৰ ৰামায়ণখন ভাৰতবৰ্ষৰ প্ৰান্তীয় ভাষাত লিখা প্ৰথম ৰামায়ণ। সেইকথাক ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰিবলৈ অসম সাহিত্য সভাই কাম কৰি আছে। লগতে তেওঁ কয় যে মহাপুৰুষ গুৰুজনাক আমি বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ গুৰুজনাৰ ৰচনাৱলী দেশৰ বিভিন্ন ভাষাত প্ৰকাশ কৰিব লাগিব।’ ভাষণত তেওঁ অহা নৱেম্বৰ মাহত যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়ত জুবিন গাৰ্গৰ এটি পূৰ্ণাংগ প্ৰতিমূৰ্ত্তি স্থাপন কৰাৰ বিষয়টোও সভাক অৱগত কৰে। ইয়াৰ পাছতে সাহিত্য সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই পাঠ কৰা সম্পাদকীয় প্ৰতিবেদন সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে। নিজৰ সম্পাদকীয় প্ৰতিবেদনত প্ৰধানসম্পাদক বৰাই বিগত মাহ কেইটাত সম্পাদন কৰা কাৰ্যসূচীসমূহৰ বিষয়ে সভাক বিস্তৃতভাৱে অৱগত কৰে। প্ৰধানসম্পাদকগৰাকীয়ে শাখাসমূহলৈ প্ৰেৰণ কৰা খতিয়ান বহীৰ অসীম গুৰুত্বৰ কথা উল্লেখ কৰি কয় যে যিসমূহ শাখা সভাই অহা একমাহৰ ভিতৰত খতিয়ান বহী জমা নিদিয়ে তেনে শাখাক অসম সাহিত্য সভাৰ সক্ৰিয় শাখাৰূপে গণ্য কৰা নহ’ব। ওদালগুৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নৰেশ্বৰ ডেকা সোঁৱৰণী মঞ্চত আয়োজিত




কাৰ্যনিৰ্বাহক সভাক সম্বোধন কৰি অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই কয় যে- ‘মূল সূঁতি শব্দটো অৰ্থ বিশেষ আৰু গুৰুত্বপূৰ্ণ। আজি ব্ৰহ্মপুত্ৰ নদীৰ কথা কোৱা হৈছে। উৎস স্থানৰ পৰা ব্ৰহ্মপুত্ৰ নদী বৈ আহিছে। ব্ৰহ্মপুত্ৰৰ জলধাৰা হ’ল মূল সূঁতি, তাত বিভিন্ন নৈ-উপনৈ আদি মিলিত হৈছে। সেইবোৰ শাখা সূঁতি। সকলো লগ লাগি হ’ব পাৰে উমৈহতীয়া সূঁতি।’ তেখেতে ভাষণ প্ৰসংগত খতিয়ান বহী জমা দিবৰ বাবে জিলা আৰু শাখা সভাসমূহ আৰু এমাহ সময় দি চূড়ান্ত শেষ তাৰিখ নিৰ্ধাৰণ কৰিব লাগে বুলি কয়। উল্লেখ্য যে এই অধিৱেশনতে ডিফু আঞ্চলিক কাৰ্যালয়ৰ নিষ্ঠাৱান কৰ্মচাৰী দেৰাম বে’ক আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱাৰ লগতে কেইবাজনো ব্যক্তি আৰু শাখা সভাক বিশেষ স্বীকৃতি প্ৰদান কৰে। অসম সাহিত্য সভাৰ ১১০ সংখ্যক প্ৰতিষ্ঠা দিৱসটি এইবাৰ লক্ষীমপুৰ জিলাৰ পাভ শাখা সাহিত্য সভাৰ আতিথ্যত অনুষ্ঠিত কৰাৰ বাবে লক্ষীমপুৰ জিলাৰ আদৰণী সমিতিয়ে তামোল-পাণৰ শৰাই আগবঢ়ায় সকলোকে নিমন্ত্ৰণ জনায়। অসম সাহিত্য সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাৰ মুখ্য সম্পাদনা আৰু প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথৰ সম্পাদনাত প্ৰকাশিত ‘অসম সাহিত্য সভা বাৰ্তা’ উন্মোচন কৰে অসম সাহিত্য সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে। তেওঁ লগতে পুনুৰাম কলিতাৰ ‘শিক্ষাৰ মাধুৰ্য্য’, ভৱেশ দত্তৰ ‘বিন্দুটো নক্ষত্ৰ হোৱা হ’লে’, দেৱেশ্বৰ শৰ্মাৰ ‘প্ৰবন্ধ পাৰিজাত’, তৰাপ্ৰভা দেৱীৰ ‘হৃদয়ত তোমাৰে প্ৰতিচ্ছবি’, হিৰন্ময়ী গোস্বামীৰ ‘পাঁচ অঘাইটং ছোৱালী’, নমিতা ডেকাৰ ‘আফু জংঘলৰ চকুলো’, ভূপেন কুমাৰ ৰাভাৰ ‘বিশ্বাস আৰু ভগৱান’ আৰু অতুল চন্দ্ৰ নাথৰ ‘মূচ্চৰ্ণা’কে ধৰি প্ৰায় ১০খন গ্ৰন্থ সভাত উন্মোচন কৰাৰ পাছতে আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি অজয় কুমাৰ হাজৰিকাই আদৰণী ভাষণ আৰু সাধাৰণ সম্পাদক অখিল কলিতাই শলাগৰ শৰাই আগবঢ়াই।

# চুটিগল্পৰ পৃথিৱী, অসমৰ ‘চুটিগল্পৰ লেখন কৰ্মশালা’ৰ আয়োজন

**ৰমেন ভৰালী, বংশৰ ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছিল ‘কামৰূপা মোৰ সুৱদি সুৰীয়া অসমীয়া ভাষা জগত সভালৈ যাব, উজ্বল সুজ্বল কহিনুৰ পিন্ধি হাঁহি জ্যোতিৰূপা হ’ব’। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ এই কথাষাৰকে সাৰোগত কৰি অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত চুটিগল্পৰ প্ৰচাৰ আৰু প্ৰসাৰ তথা পাঠক আৰু লেখক সৃষ্টিৰ প্ৰয়াসেৰে গঠিত ‘চুটিগল্পৰ পৃথিৱী, অসম’ নামৰ এটি সাহিত্যানুষ্ঠানৰ জন্ম। এই চুটিগল্পৰ পৃথিৱী, অসমৰ মঞ্চখনলৈ চুটিগল্পক ভালপোৱা সমাজখনৰ মৰম, ভালপোৱা আৰু সহযোগিতা সঁচাকৈয়ে আদৰণীয়। অনাগত দিনতো আপোনালোকৰ দিহা-পৰামৰ্শ আৰু সহযোগিতা এনেদৰেই অটুট থাকিব বুলি এই সাহিত্যানুষ্ঠান ‘চুটিগল্পৰ পৃথিৱী, অসম’ৰ উদ্যোগত আৰু চুটিগল্পৰ পৃথিৱী, অসমৰ কামৰূপ মহানগৰ জিলা সমিতিৰ সহযোগত অহা ২৭ চেপ্তেম্বৰত অসম সাহিত্য সভাৰ গুৱাহাটীস্থিত কাৰ্যালয়ৰ ৰাধাগোবিন্দ বৰুৱা সদনত ৰাজ্যিক ভিত্তিত এখনি চুটিগল্পৰ লেখন কৰ্মশালাৰ আয়োজন কৰা হৈছে। পুৱা ৯.৩০ বজাত চুটিগল্পৰ পৃথিৱী, অসমৰ সভাপতি ৰমেন ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত হ’বলগীয়া লেখন কৰ্মশালা উদ্বোধন কৰিব অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই। চুটিগল্পৰ পৃথিৱী অসমৰ উপ-সভাপতি তথা সংকলন সম্পাদিকা পূৰবী বৰুৱা ফুকনে আঁত ধৰিব লগা কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব বিশিষ্ট সাহিত্যিক, গল্পকাৰ, ঔপন্যাসিক তথা সাহিত্য অকাডেমি বঁটা বিজয়ী জয়ন্ত মাধৱ বৰাই। দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ’বলগীয়া লেখন কৰ্মশালাত আবেলি ৩.৩০ বজাত সামৰণি আৰু মানপত্ৰ প্ৰদান অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্টা সু-সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি মৃণালিনী দেৱীয়ে।




# এইমছ গুৱাহাটীৰ সহযোগত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰণালীবদ্ধ পৰ্যালোচনা আৰু মেটা-বিশ্লেষণৰ প্ৰশিক্ষণ



**ৰমেন ভৰালী, বংশৰ ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় (জি এম চি এইচ) কাৰ্ডিঅ’থ’ৰেচিক আৰু স্নায়ুবিজ্ঞান (চি এন) কেন্দ্ৰত যোৱা ১৪ চেপ্তেম্বৰত ‘গ্ৰেড এপ্ৰ’চ ব্যৱহাৰ কৰি চিষ্টেমেটিক ৰিভিউ, মেটা-এনালাইছিছ আৰু প্ৰমাণভিত্তিক গাইডলাইন ডেভেলপমেন্ট’ শীৰ্ষক এক প্ৰশিক্ষণ কাৰ্যসূচী সফলতাৰে অনুষ্ঠিত হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ফাৰ্মাক’লজী বিভাগে এইমছ গুৱাহাটীৰ কাৰিকৰী সম্পদ কেন্দ্ৰ (টি আৰ চি), ডি এইচ আৰ চেণ্টাৰ ফৰ এভিডেন্স বেছড গাইডলাইনৰ সহযোগত আয়োজন কৰা এই কাৰ্যসূচীয়ে ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ স্বাস্থ্য গৱেষণা বিভাগ (ডি এইচ আৰ)ৰ পৰা পুঁজিৰ সহায় লাভ কৰে। বিভিন্ন চিকিৎসা বিভাগৰ স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰী আৰু গৱেষকসকলে এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে, যাৰ লক্ষ্য আছিল আন্তঃৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত গ্ৰেড পদ্ধতি ব্যৱহাৰ কৰি প্ৰমাণ সংশ্লেষণ, পদ্ধতিগত পৰ্যালোচনা, মেটা-বিশ্লেষণ আৰু প্ৰমাণভিত্তিক নিৰ্দেশনা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ বুজাবুজি আৰু ব্যৱহাৰিক দক্ষতা শক্তিশালী কৰা। উদ্বোধনী অধিৱেশনত চি এন চেণ্টাৰৰ সঞ্চালক তথা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক অধ্যাপক ডাঃ বাবুল কুমাৰ বেজবৰুৱাকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধীক্ষক অধ্যাপক ডাঃ দেৱজিৎ চৌধুৰী, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডাঃ জয়দেৱ শৰ্মা, শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয় (এছ এছ ইউ এইচ এছ)ৰ এলোপেথিক মেডিচিন অনুষদৰ ডীন অধ্যাপক ডাঃ পংকজ অধিকাৰী, আৰু অসম চৰকাৰৰ চিকিৎসা শিক্ষাৰ উপ-সঞ্চালক ডাঃ প্ৰাণ প্ৰতিম শইকীয়া, ডাঃ এ.এছ. আদি উপস্থিত থাকে। এই অনুষ্ঠানৰ আয়োজন কৰে এইমছ গুৱাহাটীৰ পৰা ডাঃ অনুসূয়া ভট্টাচাৰ্য আৰু জি এম চি এইচৰ পৰা ডাঃ মুকুন্দম বৰাই।




স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা